নিজৰা

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্রীশৈলধৰ ৰাজখোৱা, বি, এ।

GOVERNMENT OF ASSAM
Call No.......
DISTRICT LIBRARY.

সন ১৩৪২

মূল্য ৸০

ডিব্ৰুগড়ৰপৰা
শ্ৰীমতী প্ৰিয়বালা বৰুৱাৰ দ্বাৰা
প্ৰকাশিত।

কলিকতা,
২নং বেথুন ৰো, ‘ভাৰতমিহিৰ যন্ত্ৰত
শ্ৰীদুৰ্গাচৰণ দাসৰ দ্বাৰা মুদ্ৰিত।

উপহার

....

....কে

....

....

তাং..............................

উছৰ্গা

লখিমী পশিলা আহি নিজম গুহাত,
নাবাজিলে উছবৰ বীণ ;
পাষাণত নুফুলিলে সোণৰ পদুম,
নেদেখিলা আদৰণী চিন।
নুশুনিলা শঙ্খধ্বনি আবাহন সুৰ,
যথাযোগ্য নাপালা আসন ;
কোনেও গোটোৱা নাই আদৰিবলই,
গন্ধ-পুষ্প, বসন ভূষণ।
সেইদিন নেদেখিলা গিৰি হিয়া ভেদি,
বই যোৱা চেনেহ-নিজৰা ;
অচলা লখিমী মোৰ তোমাৰে শিৰত,
ঢালি দিওঁ তাৰে এটি ধাৰা।

প্ৰণেতাৰ নিবেদন

পুথি ৰচনা কৰা উদ্দেশ্যৰে এই সাময়িক কবিতা বিলাক লিখা নাছিলোঁ। উষা, ।হী, আলোচনী, আৱাহন আদি মাহেকীয়া আলোচনী কাকতবিলাকলৈ মাজে সময়ে ।খা কবিতা বিলাকেই লগ খাই এখনি ক্ষুদ্ৰ পুথিৰ আকাৰ ধাৰণ কৰিলে। ।ৰে পৰা বাচি বাচি জীৱনৰ আগছোৱাত লিখা কবিতাবিলাক বাদ দি ।কীখিনি একেলগে গোটাই "মালা" নাম দি বন্ধুবৰ অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ;এগ্ৰাদেৱলৈ পুথিখনি ছপোৱাৰ বিষয়ে তেখেতৰ মতামত প্ৰকাশ কৰিবলৈ মুৰোধ কৰি পঠালোঁ। ভূঞাদেৱে পঢ়ি চাই ছপাবলৈ উৎসাহ দি ক'লে ।লে পাষাণ ভেদ কৰি ওলোৱা এই কবিতা পুথিখনিৰ নাম "নিজৰা" থোৱাহে চিত আৰু আমাৰ অনুৰোধ ক্ৰমে তেখেতৰ বহুমূলীয়া সময় খৰছ কৰি ইয়াৰ তনি এখনি লিখি দি পাহাৰী "নিজৰাক" সজাই পৰাই ৰাইজৰ আগলৈ লিয়াব পৰা কৰিলে। তাৰ বাবে তেখেতৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা ।কাশ নকৰি নোৱাৰোঁ। তেখেতৰ ইচ্ছাক্ৰমে পুথিখনিৰ নাম "নিজৰা" থলোঁ।

"নিজৰা" মোৰ সৰু ভনী, শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱা, আই, এস্, ই, ।কজিকিউটিভ ইঞ্জিনিয়াৰ ডাঙৰীয়াৰ সহধৰ্ম্মিণী শ্ৰীমতী প্ৰিয়বালা আইদেউৰ ।তৃস্নেহৰ নিদৰ্শন। তেওঁ বহু দিনৰ পূৰ্ব্বৰে পৰা মোক এই কবিতাবিলাক পাই উলিয়াবলৈ অনুৰোধ কৰি আছিল। সম্প্ৰতি কবিতাখনি পুথিৰ ।কাৰে গোটাই লিখি দিয়াত তেওঁ সকলো খৰছ নিজে বহন কৰি সৰু ভাই ।মান প্ৰেমধৰ ৰাজখোৱা বি, এ, বাপালৈ পঠাই কলিকতাত ছপোৱাই লিয়ালে। চানেকী কাকতসোপা আমাৰ উঠি অহা ডেকা সাহিত্যিক শ্ৰীযুত ন্দনাথ গোস্বামী বি, এল দেৱে অশেষ যত্ন কৰি অনুগ্ৰহকৈ চাই দিয়াত তখেতৰ ওচৰতো আমি চিৰকৃতজ্ঞ। পাঠক-পাঠিকা সকলৰ আদৰ পালেই নৈজৰা"ৰ জন্ম সাৰ্থক।

"প্ৰণেতা"

পাতনি

'নিজৰা'ৰ কবি বন্ধুবৰ শ্ৰীযুত শৈলধৰ ৰাজখোৱাদেৱে এই কবিতাৱলীৰ পাতনি এখন লেখিবলৈ অনুৰোধ কৰাত মই তেখেতক সৰ্ব্বান্তঃকৰণে ধন্যবাদ দিছোঁ। 'বিদ্যাৱতী', 'ৰণজিৎ', 'স্বৰ্গদেও প্ৰতাপসিংহ' আদি নাটক আৰু বিবিধ কবিতাৰ লেখকৰূপে ৰাজখোৱাদেৱ অসমীয়া পাঠক সমাজৰ সুপৰিচিত। 'নিজৰাক' ৰাইজৰ আগলৈ উলিয়াবলৈ আৰোৱান ধৰাৰ সহায় নোহোৱাকৈয়ে চলিলহেতেন। কিন্তু 'নিজৰাৰ' কবিতাৱলীৰ মাজেদি কবি আৰু পাতনি লেখকৰ এটি সম্বন্ধসূত্ৰ জিলিকি পৰিছে। ১৯০৯ খৃষ্টাব্দত এণ্ট্ৰেন্চ্ পাচ কৰি আমি দুয়ো কটন কলেজত পঢ়া অৱস্থাত হোষ্টেলৰ একে খোটালীতে ভালেমান দিন থাকোঁ। সেই সময়ত আমাৰ মাজত নৱাৰ নৱালি ভাবেৰে কাব্য সাহিত্য আলোচনা নিতৌ পুৱা গধূলি চলি আছিল। ৰাজখোৱাদেৱৰ কবিত্ব শক্তি সেই আলোচনাৰ জোপ্ পাই বিকসিত হৈছিল। তেখেতৰ বহুভাগ কবিতাৰ প্ৰথম শুনোতা আছিল এই পাতনি লেখক। তাৰ পাচত ৰাজখোৱাদেৱে গুৱাহাটীত শিক্ষা সাঙ্গ কৰে, পাতনি লিখক যায় কলিকতালৈ। চাকৰি জীৱনতো দুয়োৰো কাৰ্য্যক্ষেত্ৰ সুকীয়া হোৱাত কশ্চিৎ কেতিয়াবাহে দেখা সাক্ষাৎ হৈছে। এই 'নিজৰাৰ' কবিতাৱলীয়ে পোৱা শতাব্দিৰ পূৰ্ব্বৰ ছাত্ৰজীৱনৰ স্মৃতি জাগ্ৰত কৰি তুলিলে; আৰু সেই ছাত্ৰ জীৱনৰ বিকসিত কুসুমৰ পৰিনতিৰ লগত কোনো প্ৰকাৰে সংশ্লিষ্ট হবলৈ পাই মই কৃতাৰ্থ মানিছোঁ।

ছবডিপুটি কলেক্টৰৰ কৰ্ম্মজীৱন যে কবিতাময় নহয় সেইটো সকলোৱে স্বীকাৰ কৰিব। বোকাপানী খচকি, পথাৰত মাটি জুখি, নামজাৰি, সীমাঠেলা

অকৰ্দ্দমা তদন্ত কৰোতে কবিতাৰ সমল যোগনীয়া প্ৰাণৰ কোমল ভাব আৰু আবেগ অনুৰাগ শুকাই মৰুভূমি হয়গৈ। সংসাৰৰ নিৰ্ম্মম হেচা আৰু 'ৰঙ্গা ফিটা'ৰ দুৰ্জ্জয় বেহুৰ মাজত থাকিও যে ৰাজখোৱাদেৱে অন্তৰত কবিতাৰ কোমল সত্তাৰ সাঁচি থব পাৰিছে সেইবাবে তেখেতক শলাগিব লগীয়া, আৰু এই কাৰণেই এই কবিতাৱলীৰ নাম দিয়া হৈছে "নিজৰা"। মানৱৰ উচ্চ ভাব আৰু উচ্চ আদৰ্শ দংশন কৰিবলৈ সৰ্ব্বগ্ৰাসী কাল সদাই উদ্যত হৈ আছে সেই কালসৰ্পৰ শিৰত "মদনমোহন ৰূপ দেখাই" লীলাযে নৃত্য কৰি তাৰ দংশন প্ৰয়াস ব্যৰ্থ কৰাতোৱেই হৈছে মানৱ জীৱনৰ সাৰ্থকতা।

"নিজৰা"ৰ কবিতাৱলী একে অনুপ্ৰেৰণাৰ পৰা নিসৃত হোৱা নাই। কবিৰ জীৱনৰ বেলেগ বেলেগ সময়ত আৰু বেলেগ বেলেগ অভিজ্ঞতা আৰু উপলক্ষে এই কবিতাৱলী ৰচিত হৈছে। ইয়াৰ কালানুযায়ী প্ৰথম কবিতা আৰু শেষ কবিতাৰ ব্যৱধান হব কুৰি কি পঁচিশ বছৰ। এনে বিভিন্ন অৱস্থাত লিখা কবিতাৰ মাজত ঐক্য আৱিস্কাৰ কৰাতো টান। কিন্তু কোনো এটা ঘটনা বা উপলক্ষ দেখি বা শুনি মনত নানান ভাৱৰ আলোড়ন হোৱাৰ লগে লগে বা পাচত সেই ভাবক ভাষাৰে সজাই পৰাই পাঠকৰ অন্তৰ দৃষ্টিত মূৰ্ত্তিমান কৰি তুলিব পৰা কবিৰ স্বাভাবিক শক্তিৰ পৰা ৰাজখোৱাদেৱ বঞ্চিত হোৱা নাই। কবিৰ অনুভূতি যে তীব্ৰ আৰু ঐকান্তিক তেখেতৰ চেষ্টা বিহীন সহজ ভাষাৰপৰা তাৰ প্ৰমাণ পোৱা গৈছে। অন্তৰত সঞ্চিত ভাব সমষ্টিয়ে খুন্দিয়া খুন্দি কৰিবলৈ ধৰিলে সেই ভাব শব্দত ৰূপান্তৰিত হৈ সৰ্‌সৰ্‌ কৰে ওলাবলৈ ধৰে। এই খুন্দিয়া খুন্দি যদি লেহেম আৰু পাতল হয় তেন্তে শব্দ সমাগমো সেই অনুপাতে থপুৱা আৰু কইণাখুজীয়া হয়। ৰাজখোৱাদেৱৰ কবিতাৰ ভাষা নিজৰাৰ পানীৰ দৰে অবাৰিত লয়লাস গতিৰে চলিছে।

'হোমৰ কাষত' নামৰ কবিতাত দৰাই কৈছে :—

আজি মধুনিশা অগনি কাষত
বৰিলো তোমাক ত্ৰিদিব বালা,
দুখীয়া পজাত লক্ষ্মীৰূপিণী
জীৱনে মৰণে লগৰী হলা।
হোমৰ তিলক পিন্ধালো শিৰত,
পৰমান্ন সুধা যাচিলো মুখত,
বেদমন্ত্ৰে আজি বান্ধিলো তোমাক,
দেৱ দ্বিজ গুৰু অগনি সাক্ষী,—
আজি হস্তে মোৰ পথৰ সহায়—
শত জনমৰ সাদৰী সখী।

ভাবৰ চহকী ৰাজখোৱাদেৱৰ ভাষাও ওজস্বী আৰু প্ৰবাহমান। তেনেধৰণৰ ভাষাৰ পৰা সম্প্ৰতিকলৈ হলেও পাঠকৰ মন উদ্দীপ্ত হয়, আৰু বাস্তৱজগতৰ-পৰা আঁতৰি গৈ কবিৰ পৰিকল্পিত ৰাজ্যত বিচৰণ কৰিবলৈ ধৰে। আগৰে পৰা কবিতাৰ ভাষাত ব্যৱহৃত হোৱা শব্দ বুটলি আনি তাক যথাস্থানত থাপ খুৱাই সন্নিবিষ্ট কৰিব পৰা শক্তি ৰাজখোৱাদেৱে বিচক্ষণ ভাবে দেখুৱাইছে। সেই চিৰপৰিচিত শব্দাৱলী চকুৰ আগত পাৰিলে তাৰ ওচৰে পাঁজৰে উৰি ফুৰা ভাব সমষ্টিও পাঠকৰ মনত জীৱন্ত মূৰ্ত্তি ধৰি উঠে, যথা,—

থমকি থমকি শুনি,
চৰণ নেপূৰ ধ্বনি,
পাচতে দেখিলোঁ আৰু নেদেখিলোঁ
মায়াৰ প্ৰতিমাখনি !
নোৱাৰো ধৰিব আকাশ কুসুম
কেনিবা আঁতৰি যায়,
নোৱাৰি এৰিব মানসমোহিনী
হিয়া ভাগি ছিগি যায় !
চঞ্চল দুটি কমল নয়ন,
সুন্দৰ তনু চপল চৰণ ;
লীলায়িত বেশ মনোৰম কেশ
কনক বৰণী ৰাণী ;

"অমানিশা" কবিতাটিত ভাব আৰু ভাষাৰ সুন্দৰ সামঞ্জস্য হৈছে, আৰু অমানিশাৰ পিশাচী মূৰ্ত্তিৰ মাজেদি লিখকে পাপ আৰু দেশদ্ৰোহিতাৰ ওপৰত শাও শপিবলৈ সমৰ্থ হৈছে।

অসমৰ প্ৰতি আলি, প্ৰতি পুখুৰী, প্ৰতি নৈ, প্ৰতি গাওঁ অতীত স্মৃতিৰে জড়িত, তাক দেখিলে ভাবুকৰ মনত নানান্ ভাবৰ উদয় হয়, কিন্তু অসমীয়া অতি কমসংখ্যক কবিয়েহে সেইবোৰ ঠাইত নিহিত কবিত্ব উদ্ভাসিত কৰি তুলিছে। 'বৰপেটা', "বিষানদৈ আলি", 'পাষাণ প্ৰতিমা', এই তিনি কবিতাই অসমৰ অতীত যুগৰ স্মৃতি সোঁৱৰাই দিছে। এই তিনি কবিতাৰ ভাষা কোবাল আৰু উদ্দীপক, কাৰণ কবিৰ অনুপ্ৰেৰণাৰ উৎস হৈছে দেশপ্ৰেম আৰু অসমীয়া নামধাৰী সকলো বস্তুৰে প্ৰতি এটি হিল-দল ভাঙ্গি যোৱা প্ৰচণ্ড চেনেহ। "সেহিদঙৰাৰ বিষানদৈ আলি" এই কেইটা নামত অতীত অসমীয়াৰ জাতীয়

বুৰঞ্জীৰ এক অধ্যায় লুপ্ত আৰু নিদ্ৰিত হৈ আছে। কবিৰ চন্দোময় ভাষা-ৰূপী সোণকাঠিৰ পৰশত অসমীয়াৰ দিব্যচকুৰ আগত সেই অতীতৰ মনোৰম প্ৰাণোন্মাদক ছবি ভাহি উঠিব। এই ধৰণৰ কবিতা যিমানে সৰহ হয় তিমানে অসমীয়াৰ ঐক্য সাধনৰ পক্ষে মঙ্গল।

পূৰ্ব্বেই কোৱা হৈছে য'ত তীব্ৰ অনুভূতি ত'ত ভাষাৰ লীলাগতি। ১৯৩৩ খৃষ্টাব্দৰ ১৪ অক্তোবৰৰ দিনা ন-বজা ৰাতি শ্ৰীমান্ ভগৱতী প্ৰসাদ বৰুৱা, তেওঁৰ পত্নী, নাবালক পুত্ৰ, ভনীয়েক আৰু বনুৱা ছোৱালী এটিয়ে দিচাংনৈৰ বুকুত প্ৰাণ হেৰুৱায়। এই নিদাৰুন ঘটনাই গোটেই অসমীয়াক শোকাকুল কৰাৰ লগে লগে কবিৰ মনত দকৈ চাব বহুৱায়। বিশেষতঃ মৃতকসকল আছিল কবিৰ আত্মীয়। "নিয়তি কবিতাত" কবিৰ শোক ভালকৈ পৰিস্ফুটিত হৈছে। অসমীয়া 'এলিজী' কাব্যত নিয়তিয়ে ওখ আসন পাব।

হতভম্ভ হৈ নাৱৰীয়াই একো সহায় দিব নোৱাৰিলে, এই কথাত নাৱৰীয়াৰ প্ৰতি লিখকৰ ক্ষোভ ভেটা ভাঙ্গি প্ৰবল কোবেৰে ওলাই পৰিছে,—

ক'ৰে নাৱৰীয়া লখিমী বিচাৰি
সন্ধিয়া বেলিকা চাপিলি ঘাট ?
চকুৰ আগতে লখিমী ডুবিলে,
দেখিও নিদিলি আষাৰি মাত,
শুন নাৱৰীয়া ! চিৰঞ্জীবী হই,
ৰবি চিৰকাল পৃথিবীত তই
নিতৌ সন্ধিয়া শুনিবি এবাৰ
মৃত্যু কাতৰ কিশোৰী মাত।

ধনকে চিনিলি ধনতে মজিলি !
নালাগে মেলিব জুৰুলা হাত
তেজেৰে ৰাঙ্গলী দিচাং পানীৰে
খাইযা এসাজি সন্ধিয়া ভাত !
তেজকে দেখিবি, তেজকে ৰান্ধিবি।
তেজৰ পানীৰে পিয়াহ গুচাবি,
যতদিন জীবি দেখিবি আগত
পোনাটিৰ সেই মুকুতা দাঁত।

ৰাজখোৱাদেৱৰ অন্তৰেদি সংসাৰৰ পাষাণ প্ৰাণ ভেদি নিজৰা ওলোৱাৰ
গে লগে তেখেতৰ ভাবপ্ৰৱণ হৃদয় নানান অভিজ্ঞতাৰ ঘাত প্ৰতিঘাতত
হকী হৈছে। আশা কৰো এই নিজৰাৰ পৰিণতি গভীৰ স্তিমিত-প্ৰবাহা-
ৰনৈৰ ৰূপ ৰাজখোৱাদেৱে অসমীয়া ৰাইজৰ সমুখত দাঙ্গি ধৰিব।

কটন কলেজ
গুৱাহাটী, অসম।
ইং ২৭-৯-১৯৩৫

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

সূচীপত্ৰ

১।	বিশ্ব-ৰূপ	১
২।	আৱাহন	৫
৩।	উষা-আৱাহন	৭
৪।	বালি-ভাত	১০
৫।	বাঁহী	১৪
৬।	বিসৰ্জ্জন	১৬
৭।	দেবীনে ৰাক্ষসী	১৮
৮।	হোমৰ কাষত	২১
৯।	মিলন-মাধুৰী	২৫
১০।	অতিথি	২৮
১১।	সোনৰ সপোন	৩০
১২।	কুসুম	৩২
১৩।	তুমি মোক নাযাবা পাহৰি	৩৪
১৪।	বিৰহিণী	৩৭
১৫।	মাধৈ-মালতী	৪০
১৬।	প্ৰতিমা	৪৩
১৭।	পপীয়া তৰা	৪৫
১৮।	মানসী	৪৮
১৯।	সোঁৱৰণী	৫২
২০।	আকাশী লতা	৫৬
২১।	প্ৰেমিক সন্ন্যাসী	৫৭

২২। লুইতৰ বালি … … … ৬২
২৩। তটিনী পাৰত … … … ৬৫
২৪। পদুম … … … ৬৮
২৫। অপেক্ষা … … … ৭১
২৬। হেৰোৱা সপোন … … … ৭৩
২৭। সৌন্দৰ্য্য পিয়াসী … … … ৭৬
২৮। অতৃপ্তি … … … ৭৯
২৯। মায়া … … … ৮০
৩০। অমানিশা … … … ৮৩
৩১। কলঙ্ক … … … ৮৬
৩২। স্বপ্ন-ভঙ্গ … … … ৮৮
৩৩। সন্ধিয়াৰ সুৰ … … … ৯২
৩৪। বৰপেটা … … … ৯৩
৩৫। বিষাণদৈ আলি … … … ৯৭
৩৬। পাষাণ-প্ৰতিমা … … … ১০৩
৩৭। মৰু-প্ৰবাসীৰ আক্ষেপ … … ১০৮
৩৮। শেষ উপহাৰ … … … ১১৩
৩৯। নিয়তি … … … ১১৭
৪০। বিদায় পৰত … … … ১২৪
৪১। সামৰণী গীত … … … ১২৮

'বনগীত'

৪২। ৰংমনৰ বহাগী সুৰ … … ১৩১
৪৩। ৰংমনৰ বিহু … … … ১৩৬

PLEASE HANDLE THE BOOK CAREFULLY.

নিজৰা

বিশ্ব-ৰূপ।

তুমি নীল আকাশৰ
মোহিনী ছবিটি,
উষাৰ ৰাঙ্গলী আভা ;
তুমি সন্ধিয়াৰ সেই
ৰঙ্গা মেঘখনি
অনন্ত বসন্ত শোভা।

তুমি বিজুলী লতাৰ
বেঁকাবেকি ৰেখা
মেঘৰ আঁৰত থকা ;
তুমি দূৰণিত দেখা
পাহাৰৰ শোভা
শ্যাম বৰণেৰে ঢকা।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

তুমি নিজৰা বুকুৰ
জোনৰ পোহৰ
বসন্ত কালৰ ফুল ;
তুমি শৰত কালৰ
পূৰ্ণিমাৰ জোন
লগত তৰাৰ থূল।

তুমি কেচুৱা লৰাৰ
মধুৰ হাঁহিটি,
জননী হিয়াৰ স্নেহ ;
তুমি কেতেকী ফুলৰ
কোমল কুঁহিটি,
সুন্দৰ সুঠাম দেহ।

তুমি আছা সউ
নীল আকাশত
গোটেই ব্ৰহ্মাণ্ড জিনি ;
তোমাৰে আসন
আবেলি পৰৰ
ৰাঙ্গলী দলিছা খনি।

শ্ব-ৰূপ।

তুমি আছা এই
পৃথিবী বিয়াপি
মহিমা বিকাশ কৰি ;
তুমি আছা মোৰ
হিয়াৰ মাজত
পৰমাত্মা ৰূপ ধৰি ।

অনন্ত সুন্দৰ
জগত তোমাৰ
বিশ্ব স্বৰূপ তুমি ;
তোমাৰ মাধুৰী
প্ৰকৃতি বুকুত
দেখো য'তে ত'তে আমি ।

তুমি যদি প্ৰভো !
নোহোৱা সুন্দৰ,
সৌন্দৰ্য্য-চানেকি এনে—
ইমান সুন্দৰ
বিশ্ব গঢ়িবৰ
ক'ত পালা তুমি তেনে ?

তুমি ভাঙ্গিছা পাতিছা
গঢ়িছা নিতউ,
নিতউ নতুনকই ;
তোমাৰে জগত
তোমাৰ ইচ্ছাত
তোমাতেই পায় লয় ।

তুমি আকাশী পথত
তৰাফুল বাছি
নিশাও ধেমালি কৰা ;
অলপো তোমাৰ
নেদেখো জিৰণি,
নিতউ কামকে কৰা ।

কাম যদি তুমি
ভাল পোৱা এনে,
কামৰ অৰ্ঘকে লই,
ক্ষুদ্ৰ শকতিৰে
দুখনি চৰণ
আমিও পূজিম গই ।

আৱাহন।

প্ৰাণৰ প্ৰাণত মোৰ প্ৰবল পিয়াহ
কুশাসন হৃদয়ত পতা ;
ইমান কাতৰকই মাতিছোঁ নিতউ
নাহিবানে হৃদয়-দেৱতা ?

তুলসীৰ মালা মোৰ তাতেই শুকাল,
মৰহিলে কুসুমৰ হাৰ ;
পূজাৰ যতন মোৰ হিয়াৰ মাজৰ
লেৰেলিল প্ৰেম-উপহাৰ।

ইমান কঠুৱা যদি হৃদয় তোমাৰ
কিয় তেনে ভাল পালোঁ মই ?
তুমি দিয়া ভালপোৱা লই যোৱা কাঢ়ি,
প্ৰাণে মোৰ নসহে বিলই।

শুনিছোঁ তোমাৰ ৰূপ ভুবনমোহন,
দেখা নাই আজিও চকুৰে ;
শুনিছো নিৰ্গুণ তুমি, তথাপি সগুণ,
বান্ধখোৱা যেতিয়া মায়াৰে।

শুনিছোঁ তোমাক হেনো ধিয়ালে হিয়াত
ভালপোৱা তুমিও দুনাই,
জানা যদি মন মোৰ হৃদয়-দেৱতা
নাহা কিয় পূজা লবলই !

আজিও পুৱতি নিশা পাপ তাপ লই
আঁতৰিলে মায়াৰ ঢাকনি,
কান্দি উঠে প্ৰাণে মোৰ বিচাৰি নাপাই
প্ৰেমময় সেই ছবিখনি ।

ভালপোৱা যদি তুমি কন্দুৱাই মোক
কান্দি থাকো তোমাকে সুঁৱৰি ;
তুমিতো জানিছা মোৰ অন্তৰৰ কথা,
পাৰিবানে থাকিব পাহৰি ?

নিতউ ধিয়াম মই হিয়াত তোমাক
যতদিন থাকিম অকলে,
হৃদয়ত বাজি উঠা আৱাহন সুৰ,
দয়াময় ! যাবনে অথলে ?

———

উষা-আৱাহন।

উঠা দেবী মোৰ নব দিবসৰ
অৰুণ কিৰণ আভা,
উঠা চিৰপ্ৰভা নীৰব নিশাৰ
অনন্ত বসন্ত শোভা।

উঠাঁ উঠাঁ মোৰ সুপ্ত ছবিটি
পদ্ম-পলাশ আখি,
মেলাছো এবাৰ ইশোভা পৰশি
ফুলক কুসুমৰাশি।

ধীৰেৰে নামিলা সোণোৱালী উষা
কোন নন্দনৰ শোভা ;
তুমি, কোন সৰগৰ পুণ্য প্ৰতিমা
শত চন্দ্ৰমাৰ প্ৰভা ?

কোন দেৱতাৰ কণ্ঠহাৰ তুমি
কিয়বা আহিলা নামি,
কোনেনো পিন্ধালে ৰাঙ্গলী দেহত
হিমৰ মুকুতা মনি ?

নাযাবা নাযাবা চিৰানন্দ মোৰ
থিতাতে বিলীন প্ৰায়,
চাওঁতে চাওঁতে সৰগৰ শোভা
কিয়বা আঁতৰি যায় !

দেৱতা বাসৰ উপযোগী কৰি
গঢ়িম উতলা হিয়া,
ভয় কিয় দেবি ! নাযাবা আঁতৰি
খন্তেক জিৰণি লোৱা ।

এবাৰ সুধিবা কিয় গাঁথিছিলোঁ
লেৰেলা ফুলৰ মালা ;
কিয় এৰিছিলোঁ আধা গঁথা কই,
খেলিলো অসাৰ খেলা ।

তোমাকো সুধিম কিয়নো তোমাৰ
চিৰ হাঁহিভৰা মুখ ;
উদ্দেশ্য বিহীন চেনেহ বিলাই
পোৱানে কিবাটো সুখ ?

তুমি থাকা য'ত নাই জানো তাত
শোকৰ অলপো ছায়া,
নাই জানো তাত বিপদ-আপদ,
ইওনে তোমাৰে মায়া ?

উষা-আৱাহন।

ভালপোৱা যাক স্বৰ্গীয় প্ৰতিমা !
তোমাৰ আঁৰতে ৰই,
মিচিকি হাঁহিৰে সম্ভাষিলে তেওঁ
তাকেই আছিলো চাই।

তাতেই ভুলিলো আধা গাঁথা মালা
হাতেত থাকিল মোৰ ;
কোৱা কথাখিনি নোলাল মুখত,
আশাও নহল পূৰ।

আকউ আহিবা প্ৰেমময়ী মোৰ
লগতে আহিব তেওঁ ;
যিবা আছে মোৰ ভিতৰে-বাহিৰে
দুইকো সমৰ্পি দিওঁ।

বালি-ভাত

ৰই যোৱা নাৱৰীয়া জিৰোৱা খন্তেক,
আজি এই ৰূপালী বালিত ;
অনন্ত পথৰ এটি মধুৰ সম্বল
সাঁচি লোৱা হিয়াৰ তলিত ।

বহাছোঁ খন্তেক তুমি প্ৰকৃতি ৰাণীৰ
পাৰি থোৱা শিলা-আসনত ;
দুচকু ফুৰাই চোৱা গোটেই জগত,
গ্ৰহ আদি নীল আকাশত ।

আমিও আহিছোঁ আজি শান্তি লবলই
বৰনৈৰ বিমল বুকুত ;
দুকাষে শান্তিৰ ধাৰা ধীৰেৰে বাগৰে
তৰাফুল ফুলে আকাশত ।

ঢালিছে কিৰণমালা দিশ উজলাই
মনমোহা ৰূপহ জোনাই ;
হাঁহিছে বালিৰ কণা অপূৰ্ব্ব সাজেৰে
ৰূপোৱালী জিলিকনি পাই ।

সমুখত উৰ্ব্বশীৰ শিলৰ মূৰতি
শাপভ্ৰষ্টা স্বৰ্গ-অপেস্বৰা,
নীৰবে বিনায় দেখি ক্ৰূৰ 'কৰ্ম্মনাশা'
বিদ্ৰুপিছে কাষৰৰ পৰা।

শুনাচোন নাৰৰীয়া মধুৰ সঙ্গীত,
তালে তালে হৰিসঙ্কীৰ্ত্তণ,
ভেদ কৰি নীৰবতা নিজান থলৰ
থাকি থাকি পৰশে গগন।

আজি, মধুৰ সঙ্গীত উঠিছে সঘনে
সঘনে উথলে প্ৰাণ ;
আজি, আকাশে বতাহে প্ৰতিধ্বনি তাৰ,
শুনা হৰিগুণ গান।

আজি, সুন্দৰ পৃথিবী সুন্দৰ প্ৰকৃতি
সুন্দৰ আকাশী তৰা ;
আজি, বিশ্বৰ সৌন্দৰ্য্য হ'ল একে ঠাই,
ৰঙ্গতে হাঁহিছে ধৰা।

আজি, ভায়ে ভায়ে মিলি আত্মপৰ ভুলি
আপোন আপোন কই,
জীৱনৰ ৰণ কাতি কৰি থই
খন্তেক জিৰণি লয়।

আজি, এলাহৰ চিন নেদেখি অকণো,
নুশুনি কাতৰ বানী ;
আজি, আনন্দৰ ৰোল উদগণি সুৰ
আকাশ-পাতাল জিনি।

আজি, নাচিছে গাইছে বালি-ভাত খাই,
হাঁহিছে পৰাণ খুলি ;
আজি, অন্তৰৰ কথা কয় প্ৰতিজনে
ইজনে সিজনে মিলি।

আজি, ক্ষুদ্ৰ মানৱৰ প্ৰীতিভাব দেখি
আকাশী পথৰপৰা,
কুসুম বৰষে দেৱৰ সমাজে
হাঁহে সৰগৰ তৰা।

আজি, এনে মিলনৰ মধুময় কথা
প্ৰাণে প্ৰাণে আঁকি লই,
ব'লা তেনে ভাই খোজ লওঁ আমি
ঘূৰি ৰণ-থললই।

সুৱঁৰিবা ভাই ইদিনৰ কথা,—
সংসাৰ ৰণৰ থলি,
ইজনে সিজনে মুখা মুখি হলে
নাযাবা আপোন ভুলি।

নাৱৰীয়া, তুমি এই মিলনৰ কথা
ক'ই যাবা ঘাটে ঘাটে ৰই ;
বিলাবা প্ৰীতিৰ ভাব সংসাৰী জনক
ভাগৱত শান্তি পাবলই।

বাঁহী

ৰিণিকি ৰিণিকি আহি পৰিছে কাণত
আধাফুটা সুমধুৰ সুৰ ;
সোৱঁৰণী সোঁতে যেন নিয়ে ওপঙাই
আশাভৰা হিয়াখনি মোৰ ।

কল্পনা লগৰী হই চাই আহোঁগই
সেই শোভা যমুনা পাৰত ;
ব্ৰজবালা সকলক কই দিওঁ গই
বাজে বাঁহী কদম তলত ।

বাজিছে ভুনাই বাঁহী নিকুঞ্জ বনত,
যমুনাৰ ৰূপালী বালিত ;
নাচিছে আকউ আহি শ্ৰীদাম সুদাম,
বেণু বাই মথুৰা পুৰীত ।

নাচিছে যমুনা জল, হাঁহিছে তৰাই,
বাজে বাঁহী ৰাধা ৰাধা কই ;
যোৱাঁ যোৱাঁ ব্ৰজবালা চাই আঁহাগই
সেই শোভা নয়ন জুৰাই ।

সখী সনে যোৱাঁ বাধা ফুল-পাত লই
পূজা দিয়া ইষ্ট দেৱতাক ;
পূজাগই মহামায়া যুগল চৰণ,
পতিৰূপে পাবা কলীয়াক।

পাৰা যদি কাঢ়ি আনা মোহন বাঁহীটি
গোপালক কথাৰে ভুলাই,
মুহি থোৱা কলীয়াক অমিয়া সুৰেৰে
নিজে তুমি বাঁহীটি বজাই।

নুশুনিলে ব্ৰজবালা কৰুণ মিনতি,
নটলিল ৰাধিকাৰ মন ;
নিৰাশাৰে আঁতৰিল কল্পনা সুন্দৰী,
ভাঙ্গি মোৰ সুখৰ সপোন।

বিসৰ্জ্জন।

কতদিন ধৰি মই
সোণৰ প্ৰতিমা
গঢ়িছিলোঁ কতনা যতনে,
কতনো হেঁপাহ কই
ইমান ৰতন
আৰিছিলোঁ সজাবৰ মনে।

হিয়াৰ মাজৰ মোৰ
চেনেহ নিজৰা
বইছিল কুলু কুলু কই ;
নিতউ পুৱাতে উঠি
হৰি নাম লই
প্ৰতিমাটি চাই আহোঁগই।

যিমান ৰহন মোৰ
কল্পনা গোচৰ,
লাহে লাহে আনিলো গোটাই,
মোৰেই তৃপিতি হেতু
আলফুল কই
দিলো সেই প্ৰতিমাত ঠাই।

মাটিৰ প্ৰতিমা তুমি
পৰৰ চকুত
মিলি যাবা মাটিতে দুনাই;
মোৰ হলে অন্তৰত
প্ৰতিমূৰ্ত্তি তাৰ
ৰই যাব চিৰকাললই।

আপোন হাতেৰে গঢ়ি
প্ৰতিমা এদিন
উটুৱালোঁ অতল পানীত;
সোণবৰণী চিন তাৰ
ছয়ামায়া কই
ৰই গল হিয়াৰ তলিত।

দেৱী নে ৰাক্ষসী।

অকণি অকণি কই বিশ্বৰূপ লই
থাপিলেহি একেটি দেহাত ;
সুমেৰুৰ শিখৰত ভুবনমোহিনী
অনুপমা বিশ্ব জগতত।

বিজুলীৰ চমকনি অপ্সৰা মুখৰ
মিলি যায় মধুৰ হাঁহিত ;
সন্ধিয়া আকাশ আৰু মলয় পৰশ,
প্ৰাণে প্ৰাণে বোৱায় তাৰিত।

ঠাই এৰা চুলিখিনি কপালৰপৰা
বাৰে বাৰে আঁতৰাই থই,
সৰল প্ৰতিমা যেন উদ্দেশ্য বিহীন
চাই থাকে একেথৰে ৰ'ই !

মুখত বিৰিঙ্গে যেন হৃদয়ৰ ভাব,—
অপৰূপ দেহৰ গঠন;
লাজৰ ভঙ্গিয়ে কৰে ধুনীয়া চকুত
আকৰ্ষণী মন্ত্ৰৰ থাপন।

নুবুজিলা দেৱমায়া সুন্দ দৈত্যেশ্বৰ!
পাহৰিলা অপূৰ্ব্ব প্ৰণয়?
পাহৰিলে ভাতৃস্নেহ খন্তেকতে হায়!
ভাতৃভেদ যুগান্ত প্ৰলয়!

শোচনীয় পৰিণাম উন্মাদ প্ৰেমৰ,—
পূৰ্ণ হ'ল আশা দেৱতাৰ;
অবশ শৰীৰ দুটি সুমেৰু শিৰত
অন্তিমত কৰে হাহাকাৰ।

পৰিল মনত আহি পূৰ্ব্ব অঙ্গীকাৰ,
ভাতৃস্নেহ আহিল দুনাই;
অজ্ঞতাৰ অনুতাপ, প্ৰীতি সম্ভাষণ,
অন্ত হ'ল চিৰকাললই।

ত্ৰিলোক উদ্ধাৰ হেতু বিধিৰ সৃজন,
অপেস্বৰা ভুবনমোহিনী !
দৈত্যভয়-নিবাৰিণী দেৱ হিতৈষিণী,
দেবী তুমি সৌন্দৰ্য্যৰ ৰাণী ।

কিন্তু এনে ভাতৃস্নেহ শৈশব প্ৰণয়
খন্তেকতে হ’ল ভস্মৰাশি ।
নাহিল সন্তাপ তোৰ মায়াবিনী নাৰী !
তিলোত্তমা দেবী নে ৰাক্ষসী ?

হোমৰ কাষত।

আজি মধুনিশা অগনি কাষত
বৰিলোঁ তোমাক ত্ৰিদিব বালা,
দুখীয়া পঁজাত লক্ষ্মী-ৰূপিণী
জীৱনে মৰণে লগৰী হ'লা।
হোমৰ তিলক পিন্ধালোঁ শিৰত,
পৰমান্ন সুধা যাচিলোঁ মুখত
বেদমন্ত্ৰে আজি বান্ধিলোঁ তোমাক,
দেৱ-দ্বিজ-গুৰু অগনি সাখী,—
আজি হন্তে মোৰ পথৰ সহায়
শত জনমৰ সাদৰী সখী।

চৰণে পৰশি শীতল পাষাণ
সপ্ত-পদ-ভূমি চাপিলা কাষ,
ধৰ্ম্ম-অৰ্থ-কামে চিৰানুগামিনী
নোৱাৰা ছিণ্ডিব মোহিনী পাশ।
অনলদীপ্তা আৰ্য্য-কুমাৰী!
শুচিতা তোমাৰ চিৰ সহচৰী,—
তুমি ৰ'বা মোৰ ভিতৰে-বাহিৰে
পাপৰ চিন্তা দহন কৰি,
তুমি সখী মোৰ সহধৰ্ম্মিণী
অনন্ত জীৱন যৌৱন ধৰি।

দেখা নাই মুখ ইহ জনমত,
শুনা নাই সখী আষাৰি কথা,
জনমে জনমে দেখিলোঁ তোমাক,
সপোনৰ ছবি হিয়াতে গঁথা।
বিসর্জিলোঁ ছাঁয়া কায়াটিক পাই,
তুমি ৰ'বা মোৰ হিয়া উজলাই ;
সুখে দুখে মোৰ ভাগ্য লখিমী
ঢালিবা কাণত অমিয়া সুৰ,
বিপথে চলিলে সোৰঁৰাবা সখি !
শত অপৰাধ ক্ষমিবা মোৰ।

কল্যাণি ! আজি জাগিছে প্ৰাণত
নৱ জীৱনৰ কতনো আশা,
কত কথা মোৰ পৰিছে মনত
নোৱাৰো বুজাব নোলায় ভাষা !
মায়াপুৰী মোৰ ৰচিছোঁ হিয়াত,
তুমি দেৱবালা বিৰাজিবা তাত,
গন্ধে, পুষ্পে, ধূপে, দীপে,
দেৱতা বাসৰ থাপনা পাতি
সজাবা মন্দিৰ, পূজাৰিণী মোৰ,
মনোমন্দিৰত জলাবা বাতি।

আশা-আকাঙ্খাৰ কুসুম বুটলি
বাসন্তী উষাৰ ৰহণ সানি,
মালাধাৰি গাঁথি সপিলোঁ তোমাক,
যতনে ৰাখিবা হৃদয়-ৰাণী।
কি আছে, কি দিম প্ৰীতি-উপহাৰ ?
মেলি দিলো মোৰ হিয়াৰ দুৱাৰ,
নিফিৰাবা মুখ অচলা কমলা !
পাহৰি পেলোৱা সোণালী উষা।
নব জীৱনৰ নতুন পাতনি
আজি মিলনৰ মাধবী নিশা।

আজি নিশা সউ নীল আকাশত
সুধাকৰ আহি থমকি ৰ'ল,
নব মিলনৰ মধুময় কথা
অমৰাপুৰত বিতৰি গল।
বাজিছে দুন্দুভি দেৱ সমাজত,
দেৱ-আশীৰ্ব্বাদ পৰিছে শিৰত,—
দুখীয়া পঁজাত বন্তি জলিব
ভোটা তৰাটিয়ে দেখাব পথ,
শত শৰতৰ জোনায়ে হাঁহিব,
দেৱতাসকলে চলাব ৰথ।

উঠা সুন্দৰি ! নিশা অৱসান,
মাতিছোঁ তোমাক মিনতি কৰি
বাজিছে শঙ্খ, উৰুলিৰ ধ্বনি
উঠিছে বিদায় ৰাগিণী ধৰি।
অলকাৰ বালা চোৱা চকু তুলি,
বিৰহী যক্ষ আছোঁ আশা পালি ;
তুমি আহিছিলা আপোন বিচাৰি
স্বৰ্গ থাকিল দূৰতে পৰি,
মচা দুটি আখি মানস প্ৰতিমা !
বিগত জনম স্মৰণ কৰি।

প্ৰণমো সত্য-শিৱ-সুন্দৰ
প্ৰণমো মোহন বংশীধাৰী !
চৰণে প্ৰণমো দেৱ-দ্বিজ-গুৰু
প্ৰণমো অগনি পাতকহাৰী।
দিয়া পদছাঁয়া পতিতপাৱন,
কৰা আশীৰ্ব্বাদ নৰ-নাৰায়ণ !
আমি দুটি ক্ষুদ্ৰ অণু পৰমাণু
নিয়তি আদেশ শিৰত ধৰি,
প্ৰাণে প্ৰাণে মিলি মাগিছোঁ বিদায়
সবাৰে পদত প্ৰণতি কৰি।

মিলন-মাধুৰী ।

সিদিনা দুপৰ বেলা পাতিছিলোঁ নাওখেলা,
এৰি দিলোঁ ভাটীমুখে কোবাল সোঁতত ;
কোন জনমৰ সখী অকলশৰীয়া দেখি,
পথৰ লগৰী হই বহিলা কাষত ?

ক'ত জানো দেখিছিলোঁ ক'ত এৰি আহিছিলোঁ,
মায়ানে সপোন যেন সোৱঁৰণী লই,
সেই মুখ দেহলতা সেই হাঁহি সেই কথা
হেৰোৱা ৰতন মোৰ আহিল দুনাই ।

শুনালা বাসন্তী গান উথলি উঠিল প্ৰাণ,
ভটীয়ালোঁ উলাহতে গুৰি বঠা লই ;
কোনোবা দেশৰপৰা কুসুম-সৌৰভ ভৰা
মৃদু মধু সমীৰণ ধীৰে বই যায় ।

বাৰিষাৰ ভৰা নদী ব'ব জানো নিৰবধি,
ব'বনে সততে সখি মধুৰ মলয় ?
সোণালী কেতেকী পাহি নহবনে পাহি পাহি ?
মৰহি পৰিব সৰি আহিলে সময় ।

সপোনৰ খেলা খেলি থাকোতে ৰাঙ্গলী বেলি
চাওঁতে চাওঁতে সখি থিতাতে লুকায় ;
আন্ধাৰ আহিছে ধীৰে বতাহত তীৰে তীৰে
খলক লগাই দেখো ঢউ মাৰ যায় !

বলা সখি নিলগৰ বালিৰে বান্ধিম ঘৰ,
খেলিম খন্তেক তাতে ধূলিকণা লই ;
লাগিলে ভাগৰ মোৰ ধৰিবা নতুন সুৰ
যাবলাগে সীমাহীন লক্ষ্য থললই ।

বনৰ কুসুম কলি যতনে আনিম তুলি
গাঁথিম কুসুমহাৰ সৌৰভ বিলাই ;
এৰি যাম বাটে-ঘাটে নাব্ৰৰীয়া আহি তাতে
আমাক সুঁৱৰি যাব খন্তেক জুৰাই ।

যেতিয়া সন্ধিয়া হব　　ৰঙা বেলি মাৰ যাব,
　　জীৱন লগৰী মোৰ থাকিবা কাষত ;
ডুবে যদি নাওখনি　　নহবা কাতৰ তুমি
　　দেখা পাবা মোক সউ মেঘৰ আঁৰত।

চাকৈ চকোৱাযুৰি　　পদুম বনত পৰি
　　নিতউ বিদায় লয় সন্ধিয়া পৰত ;
কিহৰ বেজাৰ সখি,　　পুনৰ মিলিব পখী
　　খন্তেক আঁতৰি থাকি নিশাৰ শেহত।

সিপাৰে বালিত গই　　দুদিন থাকিবা ৰই
　　পাহৰি নাযাবা সখি আহিম দুনাই ;
মধুৰ মিলন নিশা　　পুনৰ দিবহি দেখা,
　　সেই দুটি নীলাচকু ধৰিম জপাই।

অতিথি ।

অতিথি নাহিলা ফিৰি,
পাৰি থোৱা মোৰ শূন্য আসন তাতেই থাকিলে পৰি ।
তুমি আহিছিলাঁ বাসন্তী পুৱাতে মঙ্গল আৰতি লই,
কাৰ ভাবনাত আছিলোঁ বিভোল নাচালোঁ উলটি মই ।
তুমি আহিছিলাঁ ভাগ্য-লখিমী অযাচিতে কাষলই,
নিচিনি তোমাক মনো-আন্ধাৰত অতিথি ফিৰালোঁ হায় !

শুনিলোঁ পাহৰা সুৰ,
অভিমানী দুটি ৰাঙলী আখিয়ে ভাঙ্গিলে সপোন মোৰ ।
তুমি উলটিলাঁ, চৰণ-ভঙ্গী নীৰবে আছিলোঁ চাই,
তালে তালে মোৰ হিয়াৰ মাজত বিজুলী চমকি যায় ।
তুমি উলটিলা কৌতুকময়ী ! বতাহে খেলালে চুলি,
মোৰ যে প্ৰাণত ঢউ খেলি গল বিষাদ ৰাগিণী তুলি ।

মানিনী অতিথি মোৰ,
তুমি আঁতৰিলাঁ নিজে গঁথা মালা মোহাৰি কৰিলা চূৰ !
তুমি আঁতৰিলা চপলা লক্ষ্মী ! আৰুতো নাপালোঁ দেখা,
মোৰ যে পঁজাত আৰু নজলিলে নুমুৱা দীপৰ শিখা ।
সমীৰণে গালে করুণ সঙ্গীত শুনিলে সোণালী তৰা,
সিদিনাৰেপৰা সান্ধ্য গগণ বিষাদ-ৰাগিণী ভৰা ।

প্ৰাণতে থাকিলে আশা,
কতনো আহিলে নব বসন্ত, আহিল শাৰদী নিশা ।
কত কিশোৰীৰ চকুৰ বিজুলী চকুতে মলঙি গল,
কত প্ৰেমিকৰ আকুল বাসনা হিয়াতে বিলীন হল ;
কতনো ফুলিলে মাধৈ-মালতী কতনো পৰিল সৰি,
মোৰ যে অতিথি আজিও নতুন আকতো নাহিলে ফিৰি ।

সোণৰ সপোন।

দূৰৰ পাহাৰ তুমি গহীন নিমজ,
ভাল পাওঁ নিলগৰপৰা ;
নাচাপোঁ তোমাৰ কাষ ভাগিব সপোন,
তুমি মোৰ মনেপতা দৰা।

আছে যদি খলাবমা তোমাৰ বুকুত,
মই তাক চাবলৈ নাযাওঁ ;
ভাল পোৱা যদি তুমি ৰাঙ্গলী মেঘক,
মই তাত কথাটি নকওঁ।

নাচনী চপলা যদি আকোঁৱালি ধৰি
চুমি যায় তোমাৰ অধৰ,
প্ৰকাশি মনৰ কথা নিজানে নীৰলে
কবলই নাচাপোঁ ওচৰ।

যেতিয়া আবেলি মই নিজৰা সখীৰে
ফুৰি ফুৰোঁ বননি মাজত,—
কৰা যদি সম্ভাষণ নোৱাৰোঁ মাতিব
কথাষাৰি থাকিব প্ৰাণত।

নিলগে নিলগে যদি কোমল চকুৰে
চাই যোৱা মোৰ মুখলই,
নাপাবা বেজাৰ প্ৰিয়! আঁতৰি আঁতৰি
যাওঁ যদি তলমুৱা হই।

তোমাৰেই মেঘমুক্ত বিমল ছবিটি
আঁকি লই হৃদয়-পটত,
প্ৰণয় কুসুমে মই গুপুতে পূজিম,
কোনেও নাজানে জগতত।

যদিও বেলিটি থাকে কোটি যোজনত
পদুমীৰ তথাপি আপোন;
হবা চঞ্চল প্ৰিয়! আকৰ্ষণ কৰি
নাভাঙ্গিবা সোণৰ সপোন।

যেতিয়া মিলিবা তুমি নীলিমা বুকুত
মই হম অনন্তত লীন;
এটুপি চকুৰ পানী অসীম বিশ্বত
থই যাম চেনেহৰ চিন।

কুসুম।

ফুলোঁ ফুলোঁ কৰি সুফুলা কুসুম
এতিয়া মেলিলা পাহি,
বুকুভৰা মউ লুকালা হিয়াত
ওঁঠত মাধুৰী হাঁহি।

এতিয়া বুজিলা কেনে কৰে মন,—
কোন ফালে বয় মলয় পবন,
কোনোবা দেশৰ নতুন বাতৰি
দিলেনে পখিলা আহি ?

গালে মুখে সানি ঊষাৰ ৰহণ
ওলালাঁ ৰাঙ্গলী হই,
নোচোৱা ভাৱেৰে চোৱা চকুতুলি
চাওঁনে নাচাওঁ কই !

বইছে মলয়া মধুৰ শীতল,
মনটি তোমাৰ লাগিছে পাতল ;
পাতৰ আঁৰতে লুকালা কুসুম
কথাটি বুকুতে থই।

এতিয়া বুজিলা কিয় ফুলে ফুল
শিকিলাঁ চকুৰ ভাষা ;
কলিটিৰ লীলা পাহৰি পেলালাঁ
প্ৰাণত নতুন আশা।

সাজু হোৱা ফুল থাকোঁতে সময়,
এতিয়াহে হব জীৱনৰ জয়,
অলপ পিছতে ৰূপত বলিয়া
অতিথি দিবহি দেখা।

তুমি আহিছিলা ভাল পাবলই
ৰূপৰ পোহাৰী হই,
তুমি এৰি যাবা কঠুৱা জগত
এফেৰি কোমল কই :

ৰূপ জহি খহি মিলিব ৰসত,
গুটিটি থাকিব পাতৰ আঁৰত ;
তুমি সৰি যাবা ধুনীয়া কুসুম
জগতৰ হব জয়।

মালতী নাথাকে যদি লাহতী খোপাত,
খহি পৰে বুকুৰ বসন,
আমনি কৰেহি যদি পুৱাৰ বতাহে,
সেয়ে মোৰ হব সোৱঁৰণ।

কিবা যেন নাই বুলি বাজিলে প্ৰাণত,
বতাহত জনাবা বাতৰি ;
দলিয়াবা সৰা-ফুল শূন্য পঁজালই,
তুমি মোক নাযাবা পাহৰি

বিৰহিণী

অতদিনে জানো পৰিলে মনত
উলটি আহিলা অতিথি মোৰ,
কিনো দি তুষিম বিচাৰি নাপাওঁ
জীৱনৰ সেই হেৰোৱা সুৰ।

পৰেনে মনত সেই মধুনিশা
আঁতৰিলা সখা নাহিলা ফিৰি ;
কি আছে কি দিম, চিনাকি অতিথি ?
সেই দিন আৰু নাহিব ঘূৰি !

বতাহে হৰিলে দেহৰ সৌৰভ,
কুসুমে হৰিলে মোহিনী হাঁহি ;
মেঘে হৰি নিলে ৰাঙলী ৰহণ,
জঁয় পৰি গ'ল ওঁঠৰ পাহি।

হৰিণী হৰিলে চকুৰ বিজুলী
লাজুকী লতাই হৰিলে লাজ ;
নব কিশলয়ে দেহৰ বৰণ
যৌৱনৰ মোৰ মোহিনী সাজ ।

ৰূপৰ পিয়াসী তুমি যদি প্ৰিয় !
আশাতো তোমাৰ নহব পূৰ ;
যৌৱন বিচাৰি আহিছিলা যদি
নোৱাৰো তুষিব অতিথি মোৰ ।

আহিছিলা যদি প্ৰণয় বিচাৰি
শুকালে মধুৰ মালতী মালা ;
পাহৰি পেলালোঁ হিয়াৰ আবেগ,
পাহৰি পেলালোঁ প্ৰাণৰ খেলা

হিয়াখনি যদি বিচাৰি আহিছাঁ,
নোৱাৰোঁ শুনাব পাহৰা গীত ;
শূন্য হিয়াৰ মুকলি দুৱাৰ,
অনন্ত বিশ্বক বিলালোঁ চিত।

তুমি যদি মোৰ হৃদয় দেৱতা,—
অনাদি কালৰ হেৰোৱা দৰা,
চিৰ-বিৰহিণী আৰতি সজাওঁ
দুচকু মুদিলে দিবাহি ধৰা।

মাধৈ-মালতী

যেতিয়া ফুলিলা তুমি মাধৈ-মালতী
কাঁইটীয়া বননি মাজত,
নোৱাৰি চাপিব কাষ অন্তৰৰ কথা
লুকুৱালোঁ হিয়াৰ আঁৰত।

কোনেও নাজানে মোৰ মৰম বেদনা,
তুমি মাথো বুজিলা ভাবত ;
সিদিনাৰেপৰা মোৰ মধুৰ মালতী,
জঁয় পৰা দেখিলে লাজত।

পাইছিলোঁ বতাহত তোমাৰ সৌৰভ,
দেখিছিলোঁ ৰেহ-ৰূপ চাই,
কতনো দেশৰপৰা বাটৰুৱা আহি
কাষ চাপি আদৰ জনায়।

বতাহত হালি জালি মাধুৰী বিলাই,
সকলোকে সম্ভাষণ কৰি,
ভাবিলোঁ মনতে মই দিলোঁ প্ৰতিদান,
মোৰপৰা থাকিলোঁ আঁতৰি।

সেইদিনা নুবুজিলোঁ প্ৰকৃতিৰ লীলা,
ভাবিছিলোঁ নিঠুৰ জগত;
আঁতৰি আহিলোঁ মই সোৱঁৰণী লই,
এৰি থৈ কোনোবা দেশত।

এতিয়া সন্ধিয়া হল মাধৈ-মালতী
ৰই যাওঁ তোমাৰ কাষত;
কোনেও নুশুনা মোৰ গুপুত কাহিনী,
কই যাওঁ তোমাৰ কাণত।

পুৱাৰ ধুনীয়া কলি ভৰ দুপৰত
পাহি মেলি সৌৰভ বিলাই,
খন্তেক পিছতে তুমি পৰিবা মাটিত,
চিন-চাব একোকে নৰয়।

এতিয়া নাচাপে কাষ ৰূপৰ পিয়াসী
পাহৰিলে সিদিনাৰ কথা,
মোৰ হলে অন্তৰত গোটেই কাহিনী,
ৰই গল চিৰকাল গঁথা।

সপোনত দেখা যেন পৰিছে মনত,
সিদিনাৰ হাঁহিটি তোমাৰ ;
আজিও বিচাৰি ফুৰোঁ আকাশে-বতাহে
মুগুচিল হেঁপাহ প্ৰাণৰ।

আজিও বিচাৰি ফুৰোঁ অসীম বিশ্বত,
সেই ৰূপ ক'ত লীন হল !
পাগল প্ৰেমিক মই নহওঁ নিৰাশ,
যত্‌দিন নাপাম ্সি থল।

প্ৰতিমা

প্ৰতিমা, তোমাক
মৱেই সজালোঁ
মৱেই সানিলোঁ ৰহণ গাত ;
মৱে সপি দিলোঁ
মাটিৰ চকুত
বিজুলী সোঁতৰ মোহিনী ছাট।

প্ৰতিমা, তোমাৰ
মাটিৰ শৰীৰ
মোৰ চকুতেই মাধবী লতা ;
মোৰ কাণতেই
অমিয়া বৰষে
তোমাৰ মুখৰ আষাৰি কথা।

প্ৰতিমা, তোমাক
মৱেই থাপিলোঁ
হৃদি-মন্দিৰত আসন পাতি,
মৱে উজলালোঁ
মুখনি তোমাৰ
গন্ধে পুষ্পে জলাই বাতি।

নিজৰা

মোৰ অবিহনে
মাটিৰ প্ৰতিমা
মাটিতেই তুমি বিলীন হবা ;
মোৰ নয়নৰ
সোণৰ প্ৰতিমা,
ইমান চেনেহ ক'তনো পাবা ?

পপীয়া তৰা

সিদিনাও এনেদৰে বসুধা বিয়পি পৰে
সুধাংশুৰ গলি অহা চেনেহ নিজৰা ;
মধুমতী যামিনীৰ লাহতী খোপাৰ ফুল
সিদিনাও জলিছিলে সোণোৱালী তৰা ।

আন্ধাৰে পোহৰে মিলি মৃদু মধু সমীৰণে
ৰচিছিলে মায়াপুৰী নিকুঞ্জ বনত ;
সিদিনাও এনেদৰে পাপী তৰা খহি পৰে,
কুসুম বাগৰি পৰে ধৰাৰ বুকুত ।

সেই নিশা নেদেখিলোঁ কুসুমৰ শেষ দশা,
নুশুনিলোঁ হাহাকাৰ পপীয়া তৰাৰ ;
কলঙ্ক মলিন মুখ নেদেখিলোঁ সুধাংশুৰ,
নেদেখিলোঁ চকুপানী ৰূপহী নিশাৰ ।

আজিই মাধবী নিশা ইমান নিজান লাগে
কোনো নাই উজাগৰে শয্যাৰ পাশত ;
একেটি কৰুণ সুৰ অনন্তত মাৰ যায়,—
'কোনো নাই, কোনো নাই অসীম বিশ্বত'।

আহিছিলে হাঁহি-গানে বিষাদৰ সোঁৱৰণি,—
এৰি গ'ল ছবিখনি হিয়াৰ মাজত ;
ক'ত তেওঁ, কেনি গ'ল ? দিঠক সপোন হ'ল,
সেই হাঁহি, সেই গান সকলো নিমাত !

প্ৰণয়-আবেগ ভৰা সেই দুটি আখি তৰা
মিলি গ'ল ব্ৰহ্মাণ্ডৰ তৰাৰ লগত ;
বিষাদ ৰাগিনী তানি সমীৰণে ক'ই যায়,—
'কোনো নাই, কোনো নাই অসীম বিশ্বত'।

এতিয়াও হোৱা নাই মধুনিশা অৱসান
যোৱা নাই আকাশৰ সোণোৱালী তৰা ;
ৰূপহী কুসুম মোৰ অকালতে মাৰ গ'ল,
খহিলোঁ পপীয়া তৰা সৰগৰপৰা !

ৰূপ-ৰস-গানে ভৰা ধৰণীৰ ছবিখনি,
সপোন-মাধুৰী ভৰা মধুৰ যামিনী ;
সকলোটি অৰ্থহীন শুনো মাথোঁ হিয়াভেদী—
গোটেই জগত জুৰি করুণ বিননি।

মানসী

জীৱনে মৰণে
বিজনে কাননে
চিৰ-সহচৰী মানসী মোৰ,
কোন অলকাৰ
বিজুলীৰ তাঁৰ
জুৰিলোঁ বীণত বান্ধিলোঁ সুৰ

সোণোৱালী ৰেখা আবেলি মেঘত,
জাগে নব আশা কাৰ পৰশত ?

কোন দেৱবালা
মায়াৰ পুতলা
অযাচিতে ললা হিয়াত ঠাই ?
সি নব যৌবন
নব জাগৰণ
মানসী তোমাৰ পৰশ পাই ।

সি মধু যামিনী
আহিল উলটি,
যমুনা উলটি উজানে বয়!
সেই দুটি আখি
হৃদয় পৰশি
পাহৰণি কথা গুপুতে কয়।
পৰিছে মনত পাহৰা সপোন,
খোলোঁ বুলি মোৰ হিয়াৰ দাপোন,
ৰেপিছোঁ বীণত,
বিজুলী তাঁৰত
উঠিছে কঁপনি নুফুটে সুৰ;
সঙ্গীত-হীন
নাচি উঠে বীণ,
অনন্ত আশাৰ নপৰে ওৰ।

নাছিল কামনা
নাছিল চেতনা
কত মধুনিশা আঁতৰি গ'ল,
ভগা বীণা মোৰ
ছিগাভগা তাঁৰ
কোনোবা কালতে নিমাত হ'ল !
পেলালা কাণত আহ্বাহনী সুৰ,
তুলিলোঁ পুনৰ বীণখনি মোৰ,—
বিজুলী সোঁতত
নব আবেশত
উথলি উঠিছে জুকলা প্ৰাণ ;
নোৱাৰোঁ এৰিব
নোৱাৰোঁ ধৰিব
পুৰণা বীণত নতুন গান।

মূৰ্ত্তি বিহীন
মনো-মন্দিৰত
কোনে থাপি গ'ল প্ৰতিমা মোৰ,—
গানে-সুগন্ধে,
ৰূপ-ৰস-ছন্দে,
মায়াৰে ৰচিলা সপোনপুৰ !
তুমি যদি সখী সপোন কুৱঁৰী,
অথবা কোনোবা দেৱৰ জীয়াৰী,—
তুমি যদি সখী
অমৃত পৰশি
জগালা সুপ্ত বাসনা মোৰ,
মূৰ্ত্ত ৰাগিনী
ধৰাহি বীণত
উতলা হৃদয় কৰাহি জুৰ।

সোঁৱৰণি

দেহি ঐ !   নাৱৰীয়া ৰোৱাচোঁ খন্তেক,
চাই যাওঁ শেষবাৰলই
আৰুতো নেদেখোঁ ঘূৰি নাহিম দুনাই
জীৱনৰ তীৰ্থ-থানলৈ ।

চোৱাচোন এয়ে সেই বাসন্তী নিশাৰ
সোঁৱৰণি পানী তোলা ঘাট ;
আনন্দৰ কোলাহল উৰুলিৰ ধ্বনি
মাৰ গ'ল সকলো ইয়াত

ইয়াৰ পানীৰে মোক নোৱাই-ধুৱাই
থই গ'ল সপোন ৰাজ্যত ;
সপোন-কুমাৰীহঁতে পাহৰণি কথা
কই গ'ল প্ৰাণৰ প্ৰাণত ।

পৰিল মনত মোৰ কোনোবা ৰাজ্যত
এৰি থই কোনোবা কালত,
আহিছিলোঁ অকলই,—বিচাৰি ফুৰিলোঁ
কত কাল হিয়াৰ মাজত।

হৃদয়-দেৱতা মোৰ আহিল সিদিন
সপোনত ছঁয়ামযাকই ;
ঢালিলে কাণত মোৰ অমিয়া-মাধুৰি,
চাই চাই মোৰ মুখলই।

কত শত জনমৰ সোঁৱৰণি আহি
প্ৰাণ মোৰ কৰিলে অথিৰ ;
মুদিলোঁ চুচকু মোৰ সোণৰ কোলাত
এৰি দিলো গোটেই শৰীৰ।

কঁপিল দুখনি ওঁঠ চুমা-পৰশত
নোৱাৰিলোঁ মেলিব নয়ন ;
নতুন আলহী মোৰ তেনেই চিনাকী,
তেওঁ মোৰ নিচেই আপোন

সপিলোঁ জীৱন-তৰী তেওঁৰে হাতত
নুবুজিলোঁ কেনি লই গ'ল ;
তাৰ পিছে অকস্মাৎ গুৰি-বঠা এৰি
নেদেখিলো ক'ত লীন হল !

এই ঘাট চাপি আহি বাজিছে প্ৰাণত
সিদিনাৰ মৌ-সনা সুৰ ;
কতনো আশাৰ কথা পৰিছে মনত
দুদিনীয়া সুখ-সপোনৰ ।

তুমি মোৰ লক্ষ্যহীন নাওখনি লই
অনন্তত থই আহাঁ গই ;
জনমে জনমে মোৰ এজন লগৰী,
যাওঁ মই প্ৰিয়-কাষলই।

আহিলে ধুমুহা মোৰ অনন্ত পথৰ
লগৰীয়া ধৰিবা চপাই ;
নেৰিবা অকলে মোক লক্ষ্যহীন মই,
অসীমত নিদিবা উটাই।

আকাশী লতা

বনৰীয়া গছ মই
বতাহত হালি-জালি
উঠিছিলোঁ নিজান বনত,
ক'ৰপৰা আহি তই
সোণালী আকাশী লতা
পৰিলিহি মোৰেই শিৰত ?

ইমান কোমল তই
সোণবৰণীয়া লতা
কোনসতে ৰাখিম তলত !
সেইদিনা নুবুজিলোঁ
অসহনি ভাৰ তোৰ
তুলি ললোঁ পোনেই শিৰত।

এতিয়া সোণালী লতা
তেনেই মেৰালি মোক
উচ্চশিৰ নোৱাৰো তুলিব,
বাহিৰে জিলিকি আছোঁ,
অন্তৰৰ কথা মোৰ
কাক কম কোনে পতিয়াব ?

প্ৰেমিক-সন্ন্যাসী

প্ৰেমিক সন্ন্যাসী তই আজিও পাহৰা নাই
তোৰ সেই তাহানিৰ সোণৰ সপোন ;
আজিও বীণত তোৰ নিতউ নতুন সুৰ,
আজিও বিচাৰি যাৱ কোনোবা আপোন।

তোৰ সেই মৰীচিকা আজিও হিয়াত অঁকা
তাকেই ধিয়াই তই বীণখনি বাই,
ওলালি দুপৰ বেলা খেলি সপোনৰ খেলা,
তোৰ সেই কথাখিনি বাটে-ঘাটে কই।

পূবৰ অৰুণ গ'ই পশ্চিমত মাৰ যায়,
ঢাকিব আন্ধাৰে আহি চাই থাকোঁতেই,—
চাই চাই থৰ হলি সকলো পাহৰি গলি,
নুবুজিলি কেনি গলি দিশ হেৰুৱাই।

সমুখত সাগৰৰ গৰজনি শুনি তোৰ
নকঁপে অলপো হিয়া, মুভুল সপোন ;
সপোন ৰাজ্যত তোৰ বান্ধিলি বীণৰ সুৰ,
দেহি ঐ ! কাক তই বুলিলি আপোন !

কোনোবা দিনত দেখা মেঘৰ বিজুলী ৰেখা
মাৰ গ'ল তেতিয়াই কলীয়া মেঘত ;
সোণালী হাঁহিটি তই চাই ৰলি ভোল গই
সোৱঁৰণী ৰই গ'ল কোমল প্ৰাণত।

নবীন সন্ন্যাসী অই, বুজিও মুবুজ তই,
তোক দেখি মনে মনে মেঘৰ কোলাত,
হাঁহিছে বিজুলী লতা নোসোধে এষাৰি কথা,—
এদিন চুমাটি যাচি ভুলালে কথাত।

ভাবত বিভোল হই , সুবুজিলি কথা তই,
নাজাননে কৰা হলে বিজুলী পৰশ,
'কালান্তক মূৰ্ত্তি ধৰি চেতনা হৰণ কৰি
কৰিলেহেতেন তোক তেনেই অৱশ ?

মোহিনী বীণত তোৰ কৰুণ মধুৰ সুৰ
নুঠিলহেতেন আৰু বতাহ কঁপাই ;
তোৰ যে বীণত গঁথা সকলো প্ৰাণৰ কথা
নোলালহেতেন আৰু মূৰ্ত্তিমান হই।

আকাশী বতাহে তোৰ সপোনৰ কথাবোৰ
পেলালেনে সৰগৰ বিজুলী কাণত ?
ভুমুকা-ভুমুকি কই বাৰে বাৰে আহে যায়,
নহয় সুধিব দেখো মেঘৰ কোলাত !

সোণালী বিজুলী লতা আকাশত চাং পতা,
এদিন শুনালি তই আশাৰ কাহিনী,—
নালাগে চাপিব কাষ আঁতৰি আঁতৰি থাক,
শুনো আমি প্ৰেমিকৰ করুণ ৰাগিনী।

প্ৰেমিক সন্ন্যাসী অই, অকলে বিনাবি তই,
কৰমী জগতে আজি উলটি নাচায় ;
মধুৰ অন্তৰ তোৰ মৰম পৰশি মোৰ,
গঁথা ৰল সোৰৰণি চিৰকাললই।

প্ৰেমৰ ভিক্ষাৰী তই অনন্তত লীণ হই
হেৰুৱালে চিন-চাব, বীণখনি তোৰ,
ইপাৰে বালিত পৰি করুণ বিননি ধৰি
কোমলাব হিয়াখনি সংসাৰ মৰুৰ।

প্ৰেমিক-প্ৰেমিকা হঁতে তোৰ ই বীণৰে সতে
কথাপাতি পাহৰিব পথৰ ভাগৰ;
হাতে লই বীণখনি এটুপি চকুৰ পাণী
টুকিব সুৰঁৰি কথা তোৰ অন্তৰৰ।

সিপাৰে যেতিয়া গই লগ পাম তোক মই
বুজাম সকলো তোক ইপাৰৰ কথা ;
প্ৰেমিক সন্ন্যাসী অই, পাহৰি পেলাবি তই
বিষাদ ৰাগিনী তোৰ অন্তৰত গঁথা।

লুইতৰ বালি

ৰূপত ভুলালি মন লুইতৰ বগাবালি !
পিয়াহত প্ৰাণ ফাটি যায় ;
জিলিকনি দেখি তোৰ আশাত বলিয়া মন,
ললোঁ আহি কাষৰত ঠাই ।

মুকলিমূৰীয়া তই, মনমোহা সাজপাৰ,
চিকিমিকি ৰূপালী ৰহণ ;
তাতেই বিভোল হই কাষ চাপি আহি তোৰ
খন্তেকতে ভাগিল সপোন ।

জিলিকনি বিনে বালি একোকে নাপাওঁ তোৰ,
খোজেপতি ভাগি যায় পাৰ ;
নেদেখো শীতল ছঁয়া তেনেই নীৰস তই,
ৰূপ তোৰ নিচেই অসাৰ ।

বেলিৰ তাপত বালি ইমান প্ৰকোপ তোৰ,
দেই-পুৰি দহিলি শৰীৰ !
সহিব পাৰিছোঁ মই দুপৰৰ চোকা ৰ'দ,
তোৰ তাপে কৰিলে অথিৰ

বিচাৰোঁ শীতল পানী, দেখুৱালি মৰীচিকা,
যাওঁ মানে আঁতৰি পলায় ;
খোজেপতি বাধা দিলি নোৱাৰো উধাব আৰু,
প্ৰাণ মোৰ কৰে হায় হায় !

নিজৰ ৰূপতে বালি নিজেই পাগল হলি
নুবুজিলি কি আছে প্ৰাণত ;
অন্তৰ-সলিলা তই স্বভাব-সুন্দৰী অই।
সেই কথা ৰাখিবি মনত।

শীতল নিজৰাখনি জনমৰ ঠাই তোৰ,
হিয়া তোৰ স্বভাব-কোমল ;
বেলিৰ সঙ্গত পৰি বাহিৰে কঠুৱা তই,
ভিতৰত তেনেই শীতল।

আহে যদি বাটৰুৱা দেখুৱাবি হিয়া ফালি
অন্তৰৰ চেনেহ নিজৰা,
বাৰিষাৰ ঢল আহি ধুই নিলে ৰূপ তোৰ,
সুৱঁৰিব নিলগৰপৰা।

তটিনী পাৰত

আমনি নোপোৱা যদি আকউ আহিবা
মধুময় শৰতৰ সন্ধিয়া পৰত ;
এনেদৰে আকাশত জোনায়ে হাঁহিব,
কুসুমে হাঁহিব এই তটিনী পাৰত।

নিলগে নিলগে এটি অকলশৰীয়া
নাৱৰীয়া নাও বাই ভটীয়া পানীত,
কই যাব বিভিয়াই সাঁচি থোৱা কথা
করুণ সুৰেৰে গাই বনৰীয়া গীত।

আধা আলো ছায়া মিলি সপোন-মাধুৰী
যেতিয়া সানিব সখি তোমাৰ মুখত,
তুমি কোৱা কথাখিনি বতাহে শুনিব
সুৰটি মাথোন মোৰ পৰিব কাণত।

ভাষা হব অৰ্থহীন সঙ্গীতৰ সুৰ
সঙ্কিয়া জগত হব মায়াৰ নগৰী ;
কৰবাত শুনি অহা পৰিব মনত
হৃদয়ত মাৰ যোৱা গীতৰ লহৰি ।

মোৰ যদি কথাখিনি আধাকোৱা হই
ৰই যায় তুমি তাক নকৰিবা মন ;
পাহৰি পেলালে মই গোটেই জগত,
নাভাঙ্গিবা তুমি মোৰ মধুৰ সপোন ।

এতিয়া বুজিম মই বিৰহী কণ্ঠত
বিষাদ-ৰাগিণী কিয় ইমান মধুৰ ;
ক'ৰপৰা উৰি আহি বাজেহি প্ৰাণত
নজনা সুশুনা এটি বিষাদৰ সুৰ !

এতিয়া বুজিম মই কোনোবা কালত
কিনো কথা ৰই গ'ল কাক কবলই,—
কেতিয়াবা বসন্তৰ কুসুম-সৌৰভ
কাৰনো বাতৰি আনে মোৰ প্ৰাণলই !

আমনি নোপোৱা যদি আকউ আহিবা
অনাঘ্ৰাত কুসুমৰ মাধুৰী বিলাই,
বিবসনা প্ৰকৃতিৰ বহিবা কোলাত,
মই মাথোঁ চাই ৰম নয়ন জুৰাই।

পদুম

বাসন্তী বতাহ যদি নালাগে চাপিব কাষ
ৰূপহী পদুম !
ভ্ৰমৰ গুঞ্জন যদি ইমান আমনি লাগে,
তুমি কিয় ফুলিছিলাঁ ৰূপহী কুসুম ?
হায়, লাহৰী পদুম,
কাৰ দোষ ভালপোৱা চেনেহী পদুম ?

কৰুণ কবিতা যদি নপশে মৰম সখি !
নাথাকে বিকাৰ,
মূৰ্চ্ছিত সঙ্গীত কিয় চৰণ-তলত পৰি,
সুৰবোৰে চউপাশে কৰে হাহাকাৰ ?
মোৰ কুসুম বালাৰ
সঙ্গীতে নোখোলে যদি হিয়াৰ দুৱাৰ ।

দৃষ্টি যদি অৰ্থহীন আকাশতে হব লীন,
হাঁহিটি অসাৰ,
প্ৰেমিকৰ হিয়া ভেদি ইমান মাধুৰী কিয়
ঢালি দিলা কমলিনী নয়ন কোণৰ ?
মোৰ নিমাতী ফুলৰ
কাকনো বিলালে বাৰু চেনেহ প্ৰাণৰ !

কত শত প্ৰেমিকৰ কামনা-কুসুম তুমি,
আশাৰ সপোন ;
বুকুত ছবিটি ধৰি পায়ো নাপাওঁ দেখো,
নীৰৱ নলিনী কাৰো নোহোৱা আপোন !
মোৰ লাহৰী পদুম !
কাৰ মুখ চাই ৰ'লা কোননো আপোন ?

বননি বলিয়া কৰি নীৰলে ফুলিবা যদি
নালাগে চেনেহ,
কাৰনো প্ৰাণৰ কথা হিয়াত সামৰি সখি !
বুকুভৰা আবেগত হালে-জালে দেহ ?
নাই যদি কমলিনী
প্ৰাণৰ পিয়াহ,
কিৰণ পৰশি কিয়
ইমান উলাহ ?

ভাবময়ী, ভাষাহীন নীৰৱ কবিতা তুমি
কবিৰ সপোন ;
ধৰাৰ কুসুম পাহি সৰগ ধিয়াই ৰ'লা,
কমলিনী প্ৰেমিকাৰ প্ৰেমৰ দাপোন !
এক জ্ঞান, এক ধ্যান
একেটি সপোন,
নলিনী নাচালাঁ ফিৰি
পূৰ্ণিমাৰ জোন।

অপেক্ষা

জীৱনত তুমি আহিবা এদিন
চিৰবাঞ্ছিত মোৰ,
ঢালিবা কাণত অমিয়া ধাৰা
নুশুনা গীতৰ সুৰ।
দুটি চৰণৰ মৃদু পৰশত;
মোৰ যৌৱনৰ কুসুম বনত,
ফুলিব এদিন সেউতী মালতী,
প্ৰাণটি কৰিব জুৰ।

প্ৰিয়তম মোৰ আহিবা এদিন
কোনোবা স্বৰ্গৰপৰা,
ধূলি-বালি জাৰি তুলিবা সাদৰি
ধৰণী বুকুৰপৰা।
পাহৰি পেলাম গত জীৱনৰ,
শত অৱহেলা, শত অনাদৰ ;
তুমি খুলি দিবা স্বৰ্গৰ দুৱাৰ,
অমিয়া মাধুৰী ভৰা।

হে দেৱতা ! মোৰ হিয়াৰ মাজত
বাখিছোঁ আসন পতা ;
ৰাখিছোঁ যতনে প্ৰণয় কুসুম,
আশাৰ সূতাৰে গঁথা ।
থৰে থৰে আছে পূজাৰ যতন,
সনা আছে তাত কতনো ৰহন ;
কোনেও নাজানে প্ৰাণৰ প্ৰাণত
সাচিছোঁ কতনো কথা !

মোৰ সপোনৰ নতুন অতিথি
এদিন দিবাহি দেখা,
আঁকিবা গালত বিজুলী লজাৰ
প্ৰথম প্ৰণয়-ৰেখা ।
সেইদিনা মোৰ ফলিব সপোন,
তেতিয়া খুলিব হিয়াৰ দাপোন ;
তেতিয়া শুনিব আকাশী বতাহে
মোৰ ই প্ৰাণৰ কথা !

———

হেৰোৱা সপোন

শাৰদী সন্ধিয়া নিকুঞ্জ বনত
ফুৰিছোঁ অকলে বাঁহীটি বাই ;
কোনোবা কালৰ হেৰোৱা সপোন,
ভাহি উঠি প্ৰাণ পৰশি যায় !
কাননে কাননে ফুলিছে কুসুম,
সৰসি বুকুত নাচিছে পদুম ;
বিকসকুমুদী হালিছে জালিছে
মধুৰ মলয়া পৰশ পাই ।

এই কাননৰ কুসুম বনত
কাক দেখিছিলোঁ মালা গঁথা ?
আজি শৰতৰ সন্ধিয়া পৰত
পৰিছে মনত পাহৰা কথা !
আধা কোৱা কথা মনতে থাকিল,
আধা গঁথা মালা সুলকি পৰিল ;
শুনি নুশুনিলোঁ আধা গোৱা গীত,
বুজি নুবুজিলোঁ প্ৰাণৰ কথা !

জোনে চুমি গ'ল ৰূপহী গালত
সাদৰে সাবটি কুমুদী বুলি,
শেৱালী সৰিলে চৰণ-তলত,
মালতী পৰিলে কাষতে ঢলি।
খহি পৰি গ'ল শিৰৰ বসন,
উজলি উঠিলে কুসুম কানন ;
কিনো কই গল উলটি-পালটি,
বিজুলী ভাষাৰে নয়ন তুলি !

আজি শৰতৰ সন্ধিয়া পৰত
বাজিছে প্ৰাণত হেৰোৱা সুৰ,
জোনটি জলিছে নীল আকাশত
তৰাটি জলিছে বুকুতে মোৰ !
নাহিবানে আৰু মোৰ কাষলই,
হাঁহিমুখে দুটি কথা কবলই ?
শুনি অহা গীত শুনিম দুনাই,
প্ৰাণৰ আশাতো নহল পূৰ !

ফুল মৰহিলে সৌৰভ থাকিব,
জোনটি ডুবিলে থাকিব তৰা ;
সপোন ভাগিলে মাধুৰী থাকিব,
তাৰ জেউতিত ভুবন ভৰা।
সুৰ থাকি যাব অসীম বিশ্বত,
বাজিব দুনাই প্ৰেমিক প্ৰাণত,—
ক'তো নেহেৰায় সোণৰ সপোন,
বিয়াপি থাকিব গোটেই ধৰা।

সৌন্দৰ্য্য-পিয়াসী

প্ৰেমৰ কবিতা ৰচি প্ৰণয় সঙ্গীত গাই
দেখো মই সুখৰ সপোন ;
শতেক যৌৱন মোৰ হল আজি অৱসান,
তুমি মোৰ নহলা আপোন !

য'তেই অকণি দেখো তোমাৰ ৰূপৰ ছায়া
মন মোৰ তাতেই পাগল !
গোটেই জগত ঘূৰি নাপালোঁ। তোমাক মই,
এইবাৰো জীৱন বিফল।

সৌন্দৰ্য্য পিয়াসী মই সকলো সুন্দৰ হায় !
চাওঁতেই জঁয় পৰি যায় ;
বাঢ়ি যায় লগে লগে আকুল পিয়াহ মোৰ,
প্ৰাণে মোৰ তৃপিতি নাপায়।

সইদিনা দেখিছিলোঁ ধুনীয়া পদুম পাহি,
আজি দেখোঁ পাহি সৰি গ'ল;
সইদিনা দেখিছিলোঁ শিশুৰ মধুৰ হাঁহি,
আজি দেখোঁ কেনিবাদি গ'ল!

ৰূপহী কিশোৰী লীলা খন্তেকতে মাৰ যায়,
মাৰ যায় নাৰীৰ যৌৱন;
বাৰে-বাৰে আহে যায় সুন্দৰ শাৰদী নিশা,
দেখোঁ যেন নিশাৰ সপোন।

যিদিনা শুনিলোঁ মই অনন্ত সুন্দৰ তুমি,
অন্তহীন চেনেহ তোমাৰ,
সেইদিনা সঁপি দিলো জীৱন-যৌৱন মোৰ
পাওঁ বুলি প্ৰতিদান তাৰ।

গহীন দুপৰ নিশা শুনিছোঁ তোমাৰ গীত,
তুমি মোৰ নিচেই কাষত ;
নিতউ টানিছোঁ মই প্ৰণয় সঙ্গীত গাই,
নপৰেনে এবাৰো মনত ?

মুখৰ ওৰণিখনি আঁতৰোৱা মায়া সখী,
চাই যাওঁ সি ৰূপ-মাধুৰী,
জনমে জনমে মই বিচাৰি ফুৰিছোঁ যাক,
তেওঁ কিয় থাকিব আঁতৰি !

অতৃপ্তি

কিবাটো বিচাৰি কেনিবা ওলাওঁ,
যিবা আছে মোৰ উলটি নাচাওঁ;
নোপোৱা নাপালোঁ পোৱা হেৰুৱালোঁ,
পায়ো নুপূৰে প্ৰাণৰ আশা।
ধূলি মুঠি লই খেলাকে খেলিলোঁ,
কেতিয়া পুৱাব আন্ধাৰ নিশা ?

হাঁহিব নাজানি কান্দি কন্দুৱালোঁ,
তুলিব নাজানি ৰতন এৰিলোঁ,—
থাকোঁতে ধৰাত আকাশ ধিয়ালোঁ,
আকাশত উঠি ধৰালৈ চাওঁ !

দুভজীয়া মন নাথাকে ধৰাত,
নোৱাৰো ৰাখিব বান্ধি সৰগত ;
চিৰ অতৃপ্তিৰ অনল হিয়াত,
ক'তনো প্ৰাণত জুৰণি পাওঁ !

মায়া

থমকি থমকি শুনি,
চৰণ নেপূৰ ধ্বনি,
পাচতে দেখিলোঁ আৰু নেদেখিলো
মায়াৰ প্ৰতিমাখনি !
নোৱাৰোঁ ধৰিব আকাশ-কুসুম
কেনিবা আতৰি যায়,
নোৱাৰোঁ এৰিব মানসমোহিনী
হিয়া ভাগি-ছিগি যায় !
চঞ্চল দুটি কমল নয়ন,
সুন্দৰ তনু চপল চৰণ ;
লীলায়িত বেশ, মনোৰম কেশ,
কনক বৰণী ৰাণী ।

উলটি পুনৰ শুনিলোঁ পাচতে
বাজিছে মোহিনী বীণ;
ৰুণু-জুনু কৰি বাজিছে নেপূৰ,
দেখিলো চৰণ-চিন।
আপোন পাহৰি ফিৰিলোঁ পুনৰ
মোহতে মজিলোঁ মায়া-কাননৰ;
আশাতো নিমিতে দেখিলোঁ পাচতে
থিতাতে লুকাল কেনি!

ফুলে ফুলে মিলি নিকুঞ্জ বনত
পাতিছে কিশোৰী খেলা,
চাওঁতে চাওঁতে পাহি সৰি পৰি
সামৰে মাধুৰী লীলা!
সাবটি ধৰিলোঁ ঊষাৰ কিৰণ,
হাততে হেৰাল ৰাঙ্গলী ৰহন!
দেখিও নেদেখোঁ বুজিও নুবুজোঁ,
হৰিলাঁ চেতনা তুমি।

বনে বনে ফুৰি লাগিছে ভাগৰ,
তথাপি নাভাগে ভুল ;
বেলি ভটীয়ালে সোণৰ হৰিণা
ছিঙ্গি দে মোহিনী ডোল।
পথ হেৰুৱালোঁ বিজন বনত,
প্ৰাণৰ পিয়াহো থাকিলে প্ৰাণত ;
আৰু নাটানিবা সোণৰ প্ৰতিমা!
নুশুনো আশাৰ বাণী।

PLEASE HANDLE THE BOOK ...

অমানিশা

খোপাত পিন্ধিলি তৰাফুল তই, মুখত বিজুলী হাঁহি,
ৰিহা আঁচলত জোনাকী মুকুতা আকৌ ওলালি আহি !
কলী-মলী আজি ৰকম-জমক নতুন সাজেৰে সাজি,
কোন পিশাচৰ মনৰ কামনা পূৰাবি পিশাচী আজি ?

এটি দুটি কৰি তৰাফুল দেখোঁ খহালি খোপাৰপৰা ?
দীঘল কলীয়া চুলিতাৰে তোৰ ঢাকিলি গোটেই ধৰা ।
খন্তেকতে দেখো বিলাসিনী গুচি ধৰিলি ৰাক্ষসী ৰূপ,
ডাকিনী যোগিনী সহচৰী তোৰ সবাকে খুৱালি থুপ ?

নিজান নিতাল প্ৰাণী জগতত দিবলৈ আহিলি ভাও,
তোক দেখি আজি কুকুৰে ভুকিছে শিয়ালে কাঢ়িছে ৰাও।
অভিসাৰ আজি নহয় নিশ্চয় মনৰ কামনা তোৰ,
হোৱা হলে এনে ভয়ঙ্কৰী বেশ নহলহেতেন তোৰ।

ক অমানিশা! কাৰ সৰ্ব্বনাশ কৰিব কৰিছ মন,—
কোন দুখুনীৰ একেটি ৰতন হৰিবি বুকুৰ ধন?
কোন পতিপ্ৰাণা সতী তিৰোতাৰ মুছিবি ৰাঙ্গলী ফোঁট,
কোন প্ৰেমিকাৰ স্বামীৰ বুকুত মাৰিব খুজিছ খোঁট?

কোন আজলীক ছলেৰে ভুলাই কলীয়া কাচোনে ঢাকি,
দিয়াব খুজিছ ক পিশাচিনী! নিজকে নিজেই ফাঁকি?
কোননো সতীৰ অধম পতিক বুকুত সাবটি লই
কোন বিলাসিনী নাৰীৰ কাষত গুপুতে আহিবি থই?

কোন নিশাচৰে তোৰ আশ্ৰয়ত কাৰ সৰ্ব্বনাশ কৰি,
ক মায়াবিনী ! সোণৰ সংসাৰ যাব ছাৰখাৰ কৰি ?
কোন লম্পটক আশ্ৰয় যাচিবি, তোৰ আঁচলত ধৰি,
কোন অভাগিনী নাৰীৰ সতীত্ব আহিব হৰণ কৰি ?

ক অমানিশা ! কোন বদনক মেখেলা আঁৰত লই,
দেশৰ বুকত শাল মাৰিবলৈ মানক মতাবি গই ?
কোন বিভীষণে তোৰ আশ্ৰয়ত নীচ বাসনাৰে গই,
ঘৰৰ বাতৰি পৰত জনাই আহিব নাৰকী হই ?

পাপী সহচৰী কুলক্ষণী তই সৃষ্টি-পাতনিৰেপৰা,
তোৰ যে হৃদয় যুগযুগান্তৰ ভীষণ-কাহিনী ভৰা !
তোক দেখি মোৰ বুকু কঁপি যায় আঁতৰ পিশাচী তই,
ওলালে আগত ঊষাদেবী মোৰ লাজত পৰিবি জঁয় ।

সতীৰ আগত বিলাসিনী তই নোৱাৰ দেখাব মুখ,
দুৰ্ভগীয়া বিনে নিবিচাৰে আনে তোৰ আশ্ৰয়ত সুখ ।

কলঙ্ক

যোৱাঁ, যোৱাঁ, ব্ৰজবালা যমুনাৰ পানীলই,
গৰখীয়া গৰু মেলে কদম তলত গই।
নালাগে কৰিব মন কোনোবাই বাঁহী বায়,
ডালত ময়ূৰী নাচে নালাগে থাকিব চাই।
উলটি-পালটি তুমি নাচাবা ৰাধিকা আই,
পিছলি পৰিবা পাছে কাষত কলহ লই!
কোনেনো নোতোলে পানী যমুনা ঘাটত গই,
মথুৰা হাটত বাৰু কোনেনো নেবেচে দই?
কাৰণো আঁচলখনি পুৱাৰ বতাহে পাই
উৰাই নিনিয়ে বাৰু বুকুখনি উদঙাই!
কলীয়াৰ বেঁকা চকু যেনিয়ে তেনিয়ে যায়,
সেয়ে বুলি ৰাধা কিয় কলঙ্কিনী নাম পায়?

ৰজাৰ জীয়াৰী তেওঁ, গৰখীয়া লৰা তই,
ইমান বঢ়ালি বুকু ঘাটত আছহি ৰই ?
অমানিশা হাত মেল পূৰ্ণিমাৰ জোনলই,
ছলেৰে বজাৱ বাঁহী ৰাধা ৰাধা নাম লই !
ঘাটত পলম হ'ল যমুনাৰ ঢেউ চাই,
মিছাতে শাহুৱে বোলে কলঙ্কিনী ৰাধা আই ।
নোৱাৰি সহিব আৰু বিৰিন্দাবনত গই,
লুকাল বিজুলী ৰাধা কলীয়া মেঘত গই।

স্বপ্ন-ভঙ্গ

(১)

তেতিয়া নাছিলে পিশাচী নিশা
নাছিলে উতলা ঢৌ,
মৃদু মলয়াত এৰিলোঁ তৰী
জোনে বৰষিলে মউ।
ভাবিছিলোঁ বহি ভটীয়া সোঁতে
উটাব তৰণী মোৰ,
চকু পচাৰতে পোৱাব আনি
কোনোবা সপোনপুৰ !
মোক দেখা পাই সপোন ৰাণী
উঠিব মিচিকি হাঁহি,
পিন্ধাব গলত কুসুমমালা,
আদৰি নিবহি আহি।
চউপাশে মোৰ ৰূপহী বালা
বহিব সন্ধিয়া বেলা,
অমিয়াবৰষা শুনাব কথা
খেলিবপ্ৰাণৰ খেলা।

কোনো দেৱবালা গাঁথিব মালা,
কোনোৱে শুনাব গীত ;
কোনোৱে বুলিব, 'নেৰিবা সখা !
নহবা কঠুৱা চিত।'
কোনো ৰূপহীয়ে বুলিব 'প্ৰিয় !
বৰ ভালপাওঁ মই,—
থাকাচোঁ দুদিন নালাগে যাব
অকলশৰীয়া হই।'
ছিঙ্গি মায়াডোল চলিলে তৰী,
মনতে থাকিব কথা,
কুঁহি কেতেকীৰ মাধুৰী সনা
মু'খনি প্ৰাণতে গঁথা।
লাহি দেহলতা, এডালি বেণী,
ভাষাভৰা চকু জুৰি,—
সপোনবালাৰ প্ৰাণৰ কথা
থাকিব হৃদয় জুৰি।

কুলু কুলু কৰি তটিনী গাব
বিৰহ-মিলন গীত;
হেলোৱাঙ্গে মোৰ তৰণী আহি
ঘাটতে লবহি থিত।
জনপ্ৰাণীহীন দানৱ পুৰী,
বিশ্বৰ বিভূতি ভৰা,
অপেক্ষিছে তাত মানসী সখী,
কোনোবা কালৰেপৰা।

(২)

ভাবোঁতে গুণোতে ঢাকিলে মেঘে,
আন্ধাৰে গিলিলে তৰী;
কেনি থাকি গ'ল ৰূপহী বালা,
কেনিবা দানৱ পুৰী!
কোনে জানে কেনি চলিছে তৰী,
কেতিয়া চাৰিব ঘাট!
ক'ত আজি মোৰ সোণালী উষা
কোনে দেখুৱাব বাট?

ধ্ৰুৱতৰা মোৰ ঢাকিলে মেঘে,
কেনি আহি কেনি যাওঁ ;
বাৰিষাৰ শত বৰষে ধাৰা,
থিৰেৰে নচলে নাও।
ফেনে-ফোটোকাৰে উতলা নদী,
জীৰ্ণ তৰণী মোৰ,
ব'ঠা খহি পৰে নচলে বাহু,
পালোঁহি কোনোবা কুৰ !
থাকি থাকি থাকি গৰজে মেঘে,
চমকে বিজুলী ৰেখা,
চমকে প্ৰাণত সপোন ছবি
কোনোবা কালতে দেখা।
কেনিনো লুকাল আকাশ কুসুম,
ভাঙ্গিলে সপোন মোৰ,
তুলুঙ্গা নাওৰ দূৰণি গতি,
কেতিয়া পৰিব ওৰ !
নেদেখোঁ লগত সাৰথী কোনো,
নাহিল এডালি চৰি,
তলিফুটা নাও লেহুকা ব'ঠা,
পাৰ কৰা তুমি হৰি !

"সন্ধিয়াৰ সুৰ"

কোনে গাঁথি গ'ল সুৰভী কুসুমে
সন্ধিয়া গীতৰ মালিকা,
কোন দেৱতাৰ চৰণ ধিয়াই
প্ৰাণ ঢালি দিলা গায়িকা।
নাৰীনে জননী, দেবীনে মানবী,
কিম্বা কায়াহীনা ছায়াময়ী ছবি,
অথবা কোনোবা চিৰবিৰহিণী
অলকাবাসিনী প্ৰেমিকা !

তুমি যদি নাৰী সন্ধিয়া সুৰত
যমুনা উলটি ব'ব ;
তুমি যদি মাতৃ, তোমাৰ পুতলী
ভুবন বিয়াপি ৰ'ব।
তুমি যদি দেবী চিৰবিৰহিণী,
বিচাৰি ফুৰিছা নয়নৰ মণি,
ত্ৰিভুবন ভেদি সঙ্গীতে তোমাৰ
আপোন বিচাৰি পাব

বৰপেটা

অসমৰ কাশীপুৰী, দ্বাৰকা মথুৰাপুৰী,
অসমৰ বৰপেটা ধাম,
চাই যোৱা বাটৰুৱা পৰাণ জুৰাই যোৱা,
শুনি যোৱা হৰিগুণ-নাম।

পূৰ্ণব্ৰহ্ম অৱতাৰ সেই মহাপুৰুষৰ
পদ-ৰজ-পূতপূণ্য থান,
ইথানৰ প্ৰতি অণু বালিকণা পৰমাণু
শুনে নিতে হৰিগুণ-গান।

আকাশত হৰিনাম, বতাহত হৰিনাম,
হৰিনাম শিশুৰ মুখত,
নাৱে নাৱে হৰিনাম, ই যেন বৈকুণ্ঠধাম
হৰিনাম ব'ঠাৰ কোবত।

আকাশী চৰায়ে মাতে   'ৰামবোল' 'হৰিবোল',
গছে-পাতে হৰিগুণ গায় ;
নিজান বননি জিনি   হৰিৰ মহিমা শুনি
শোক-তাপ দূৰতে পলায়।

জনমত হৰিনাম,   বিবাহত হৰিনাম,
হৰিনাম বিহু-উৎসৱত ;
নাৱৰীয়া নাও বাই   হৰিৰ মহিমা গায়,
বৰনৈৰ বিমল বুকুত।

সবল সুন্দৰ হাতে   ব'ঠা ধৰি ডেকাঁহঁতে
নাও খেলে তিথি উৎসৱত,
'ৰামবোল' 'হৰিবোল'   চাবে চাবে উঠে ৰোল,
হৰি বুলি নাচে উলাহত।

চউপাশে তাল-খোল মৃদঙ্গৰ মহাৰোল,
থানে থানে হৰি সংকীৰ্ত্তন,
সুখী-দুখী, পাপী-তাপী, চাই যোৱা কাষ চাপি
মানবৰ ই মহামিলন।

নাই পূজা আৱাহন নাই বলি বিসৰ্জ্জন,
উচ্চ-নীচ ভেদাভেদ জ্ঞান,
নাই কাৰো উচ্চাসন নাই কাৰো নীচাসন,
হৰিভক্ত সকলো সমান।

ই হেন আদৰ্শ লই আহিছিলা ধৰালই,
হে দেৱতা! অসম ভাগ্যত,
সাম্যমন্ত্ৰ হৰিনাম পবিত্ৰ কীৰ্ত্তন থান
এৰি গলা ই মহাতীৰ্থত।

এয়ে সেই পুণ্যভূমি যিথানত নিজে তুমি
থানে থানে ধৰ্ম্মসত্ৰ পাতি,
নানা শাস্ত্ৰ ব্যাখ্যা কৰি মাতৃভাষা পূৰ্ণ কৰি
গঢ়ি গ'লা অসমীয়া জাতি।

ভাষাৰ জননী তুমি জাতিৰ জনম ভূমি,
সাম্যমন্ত্ৰ প্ৰচাৰা ধৰাত,
সেই মহামন্ত্ৰ জপি মুক্ত হওক পাপী-তাপী,
বিশ্বপ্ৰেম জাগক প্ৰাণত।

বিষাণদৈ আলি

(১)

লেহি-দঙ্গৰাৰ বিষাণদৈ আলি
কবিনে কথাটি মোক,—
কোন বিষাণদৈ ফুল কুৰুঁৰীয়ে
নিশাতে বন্ধালে তোক ?
কোনোবা কালৰ অতীত বাতৰি,
আজিও ৰাখিছ হিয়াত সামৰি ;
কোন অসুৰৰ প্ৰবল হাতৰ
পৰিলে কোৰৰ চাব ?
দুকাষে দুশাৰী অতীত পুখুৰী
জনায় মনৰ ভাব ।

(২)

তোৰণো ডুকাষে বহল দীঘল
কোন অসুৰৰ ধাম,
কোন অতীতৰ সোঁৱৰণী তই
কাৰণো ৰাখিছ নাম ?
কোনে পাতিছিলে সুন্দৰ নগৰ,
কাৰণো শাপত হল চুৰমাৰ !
অহা আহি গ'ল যোৱা মাৰ গ'ল,
শুনালি কতনো কথা,
অতীত বুৰঞ্জী পৰি ৰলি তই,
কোনেও নুবুজে বেথা।

(৩)

ক আলি তই কোন ভাগ্যবলে
আজিও নহলি ক্ষয়,
শত বজ্রাঘাত ভূমিকম্পে তোক
নোৱাৰে কৰিব লয় !
সতিনী খেপত প্রকৃতি সুন্দৰী,
অসমৰ বুকু আচুৰি-পিচুৰি
মোহাৰি পেলালে অসম গৌৰব,
সকলো কৰিলে ক্ষয়,
তই দেখো আলি আছ একেদৰে
অজৰ-অমৰ হই !

(৪)

নিজান নিতাল বননি মাজত
কোনে গাই গল গীত,
কোন অতীতৰ কোনোবা দেশলৈ
কোনে হৰি নিলে চিত!
লেহি-দঙ্গৰাৰ বিষাণদৈ আলি,
নিফুট স্বৰেৰে কিনো গীত গালি!
তোৰ কাষতেই কোনোবা যুগত
মিহিৰ আলহী হই,
আছিলেনে বাৰু কুমাৰণী আইৰ
ঘৰত আশ্ৰয় লই?

(৫)

কি কলি, কি কলি! এয়ে নেকি সেই
ডাকে পানী খোৱা ঘাট,
ডাকৰ জননী কুমাৰণী আইৰ
এয়েনে পথূলি বাট?
নিলগৰ সৌ পুখুৰী পাৰত,
শিশু কোলাহল পৰিছে কাণত;
দিঠক-সপোনে ডাকৰ দিনৰ
দেখালে শিশুৰ মেল,—
স্বাধীন যুগৰ স্বাধীন শিশুৰ
এয়েনে লৰালি খেল?

(৬)

শত জনমৰ লীলাভূমি মোৰ
সোণৰ অসম আই,
ক'তনো আছিলোঁ ক'তনো খেলিলোঁ
একোকে মনত নাই।
লোহি-দঙ্গৰাৰ বিষাণদৈ আলি,
তই কিয় মোৰ প্ৰাণ টানি নিলি ?
ভাষাহীন তই ভাষাময় হই
কতনো বলকি গলি,
সকলো শুনিলোঁ একো নুবুজিলোঁ,
পুনৰ আন্ধাৰত থলি !

(৭)

ভাবোতে গুণোতে চকুলো ওলায়,
নপৰে মনত কথা,—
কোন জনমত ইবোৰ ঘটনা
মোৰ জীৱনত গঁথা ?
লোহি-দঙ্গৰাৰ বিষাণদৈ আলি,
ঠাৰে-চিয়াঁৰে কিনো কথা কলি !—
তোৰ যে বাতৰি সপোন ৰাজ্যৰ
অমিয়া মাধুৰীময়,
কোন জনমত ইবোৰ শিশুৰ
আছিলোঁ লগৰী মই ?

(৮)

শঙ্কৰ-মাধব দামোদৰ দেউৰ
পবিত্ৰ চৰণ ধূলি,
ভাগ্যবান তই আজিও ৰাখিছ,
দে মোৰ শিৰত তুলি।
সেই পুণ্যবলে বিষাণদৈ আলি,
অজৰ-অমৰ অভগন হলি ;
তোৰ যে কাষত খন্তেক বহোঁতে
শৰীৰ পবিত্ৰ হ'ল,
দুখ শোক তাপ, পথৰ ভাগৰ,
সকলো কেনিবা গ'ল।

(৯)

তোৰ ওপৰেদি মীৰজুমলাই
অসম সোমালে আহি,
বিফল প্ৰয়াস দেখি মনে মনে
মিচিকি পেলালি হাঁহি।
তাৰ পিছে তই কত যুগ ধৰি,
অকলে বিনালি অৰণ্যত পৰি ;
তাৰ পিছে কত নগৰ-নগৰী
দেখিলি দুকাষে তোৰ,
সকলো অতীত সকলো সুৰঁৰি,
ধৰিছ বিননি সুৰ।

(১০)

লেহি-দঙ্গৰাৰ বিষাণদৈ আলি,
গা তই অতীত যশ,
লেহিৰ তিৰীয়ে কোন ৰাগিনীৰে
মেঘক কৰিলে বশ ?
লেহি-দঙ্গৰাৰ আকাশী বায়ুত,
সৰগৰ সুধা আছেনে গুপুত ?
যাৰ প্ৰভাৱত মিহিৰ-কুমাৰে
জনমি লভিলে জ্ঞান,
যাৰ প্ৰভাৱত দেশে-বিদেশে
ডাকৰ পবিত্ৰ নাম ?

পাষাণ-প্ৰতিমা

উঠাঁহে ফুলৰা, উঠাঁহে চতলা, উঠাঁ দেৱবালা স্বৰূপ ধৰি,
পূৰ্ণ হল আজি শতেক বছৰ আৰু কতকাল থাকিবা পৰি ?
কোন সৰগৰ পাৰিজাত ফুল,
কাৰনো শাপত হেৰুৱালা কুল,
চিৰ অচেতন ফুলৰা-চতলা পাষাণ প্ৰতিমা আপোন ভুলি,
নিফুট সুৰেৰে নিজান থলত চিৰবিষাদৰ ৰাগিনী তুলি ?

কুলু কুলু কৰি বইছে লুইত ফুলৰা তোমাৰ চৰণ ধুই,
সতী পৰশত উখল-মাখল তিনিওকাষকে আবৰি লই।
মানাহৰ সউ বালিৰ কাষত,
ৰূপহী চতলা নিজান বনত,
নিচেই কাষতে সহিব নোৱাৰি ডেকা মানাহৰ লুভীয়া চকু,
লাজত ৰাঙ্গলী শ্যামল সাজেৰে ঢাকিলে চতলা উঠন বুকু।

ভণ্ডযোগী সউ গিৰি বাঘবৰ বহিছে ধ্যানত নবহে মন,
সমুখত দুটি ৰূপহী কিশোৰী চাৰিওকাষৰে নিজান বন !
কাকনো দূষিম, কামিনী পাশত,
জঁটীয়া শিৱও পৰিল পাকত !
উঠঁা যোগীবৰ বীণখনি বাই শুনোৱা পুৰণি পাহৰা কথা,
যুগে যুগে যত অতীত কাহিনী সকলো তোমাৰ মনতে গঁথা।

সেইদিনা দুটি অমৰ কুমাৰী ফুলৰা চতলা কিশোৰী বালা,
বুঢ়া লুইতৰ ৰূপালি বালিত নন্দন বনৰ পাতিলে খেলা।
নিলগে নিলগে হাদিৰাচকিত,
অসমৰ শেষ স্বাধীন গাদীত,
অসমৰ শেষ স্বাধীনতা হেতু চন্দ্ৰকান্ত সিংহে পাতিলে খেলা
দেৱবালা বোলে চাওঁ আজি আমি অসম বীৰৰ তাণ্ডব লীলা।

সিদিনা পুৱাতে চকুপানী টুকি উদিলে পূবত ৰাঙ্গলী বেলি,
ধৰে তৰোৱাল শিখ, অসমীয়া, মোগল, পাঠান সকলো মিলি
সহস্ৰ সহস্ৰ পিশাচ মান,
এমুঠি শিখ, এমুঠি পাঠান,
এমুঠি মোগল, কামৰূপী বীৰ, যিবা অৱশেষ অসম সেনা।
অচল-অটল শেষবাৰলই—পালেহি সমুখ মানৰ সেনা।

গুৰুম্ গুৰুম্ ফুটিছে কামান, উঠিছে পৰিছে সহস্ৰ অসি,
নাচ্ তালে তালে ডাকিনী যোগিনী, তেজেৰে ৰাঙ্গলী শ্মশান পশি।
কোন কেনি আছ আজি শেষবাৰ,
চাই যা ধেমালি অসম বীৰৰ,
মৰিও নমৰে, পৰিও নপৰে, বাণ ভগদত্ত চুকাফা জাত,
গৃহ বিবাদত জলাকলা আজি, নহলে কোনেনো দিয়েহি হাত ?

মতলীয়া আজি কামৰূপী বীৰ, মতলীয়া শিখ, মোগল পাঠান,
মৃত্যুক সুঁৱৰি সমুখ ৰণত থুকুচি থুকুচি কাটিলে মান।
বীৰ চৈতন্যৰ ভীম তৰোৱাল
তেজেৰে বাস্কিলে হাতত কৰাল,
চমকে কৃপাণ, খহি পৰে শিৰ, দেখিলে ফুলৰা কাষতে ৰই,
দুহাতে নাশিলে দানৱ পিশাচ, তথাপি মানৱ নহল ক্ষয় !

চতলা কাষত কামৰূপী বীৰ, উন্নত শিৰ অক্ষয় অজয়,
অসম-গৌৰব বীৰ কৃষ্ণৰামে তেজেৰে বোৱালে ৰাঙ্গলী নই।
দুয়ো বাই-ভনী ফুলৰা চতলা,
যতনে গাঁথিলে কুসুমৰ মালা,—
দেৱবালা বুজে বীৰৰ আদৰ—মনে মনে দুয়ো দুয়োকো নমি,
ফুৰলা বৰিলে বীৰ চৈতন্যক, চতলা বৰিলে কৃষ্ণক স্বামী।

মৃত্যু বিজয়ী মোগল, পাঠান, শিখ, কামৰূপী, আহোম বীৰ,
দেখে দেৱবালা ফুলৰা চতলা, একে একে সবে সোধালে শিৰ !
অৱশেষ দুয়ো বীৰ সেনাপতি,
অসমৰ শেষ স্বাধীন নৃপতি—
অসমৰ শেষ স্বাধীনতা সহ ভটীয়াই মেলিলে ৰজাৰ নাও,
দুয়ো সেনাপতি আলচি বুলিলে, 'সমুখ ৰণত আমিও যাওঁ'।

'সাক্ষী হ'বা দুয়ো অমৰ কুমাৰী বীৰধৰ্ম্ম পালি আহিলো আমি',
বুলিলে ফুলৰা, বুলিলে চতলা 'তোমাকে অপেক্ষি থাকিম স্বামী'।
কি কলা, কি কলা সপোন-ৰাণী !
মৃত্যুমুখীক বুলিলা স্বামী ?
বোলে দেৱবালা, 'বীৰ স্বামী মোৰ, বীৰ বিনে আনে ৰমণী মোল,
নোৱাৰে বুজিব, বৰিলোঁ তোমাক, কৰা নাই প্ৰিয় অকণো ভুল'

লুইতৰ পানী তেজেৰে ৰাঙ্গলী, দুয়ো মহাবীৰে কৰিলে স্নান,
শোভিলে শিৰত বৰণৰ মালা,—এনেতে পালেহি পিশাচ মান।
জিলিকি উঠিল সহস্ৰ অসি,
সতী সমুখত পতিক নাশি,
চাপি আহে মান, মাৰ যায় বেলি, ফুলৰা চতলা থাকিলে চাই
পাপীৰ দৃষ্টিত ত্ৰিদিববাসিনী চাওঁতে চাওঁতে পাষাণী হই।

সিদিনাৰেপৰা ফুলৰা চতলা শিলাময়ী দুটি অমৰ বালা,
নিৰলে বিৰাজে নিজান থলত পাহৰি সকলো কিশোৰী খেলা।
চকুৰ পানীৰে পথ নেদেখিলোঁ,
নুশুনে বচন কতনা মাতিলোঁ—
উঠাঁহে ফুলৰা, উঠাঁহে চতলা, উঠাঁ দেৱবালা স্বৰূপ ধৰি,
পূৰ্ণ হল আজি শতেক বছৰ আৰু কতকাল থাকিবা পৰি ?

গিৰিয়ে শুনালে অতীত কাহিনী, লুইতে শুনালে পাহৰা সুৰ,
যিদিনা এৰিলে শিৰৰ মুকুট বীৰ প্ৰসবিনী অসমে মোৰ।
নিজান নিতাল শশ্মানত পৰি,
সাখী ৰ'ল দুটি অমৰ কুমাৰী,
সাখী ৰ'ল এটি সোণোৱালী তৰা নীল আকাশৰ পূবালি কোণত,
সাখী ৰ'ল এটি বিষাদৰ ৰেখা অসম-সন্তান সবাৰে প্ৰাণত

মৰু-প্ৰবাসীৰ আক্ষেপ

দুপৰৰ চোকা ৰ'দ পাতলি আহিছে ধীৰে
মাৰ যায় আকুল পিয়াহ ;
উগুল-থুগুল মন যাব খোজে পিছুৱাই
এৰি অহাখিনি যেন
পাবলই কতনো হেঁপাহ !

এতিয়া উলটি গলে পামনে সকলো বাৰু,
একেদৰে আছেনে সকলো ?
জনমৰ ঠাই মোৰ আই-ভাই, বাই-ভনী,
পামনে সকলো তাতে,
য'ত মই এৰি আহিছিলোঁ ?

দুখীয়া পঁজাত মোৰ নাছিল অভাব একো,
দয়া-মায়া সাদৰী বচন ;
সৰগৰ সুধা যেন সাদৰী হাতৰ ভাত,
মন বুজি যাচি দিয়া
দুখীয়াৰ ক্ষুদ্ৰ আয়োজন।

দিনৰ ভাগৰ লই সন্ধিয়াৰ লগে লগে
উলটিলে ঘৰমুৱা হই,
দুখনি সাদৰী হাত, কতনো চেনেহি চকু
ৰই থাকে দুৱাৰত
হেঁপাহেৰে আদৰিবলই।

ঠেঁহ-পেঁচ অভিমান অথলে নাযায় য'ত,
সললিত মধুৰ বুজনি ;
মৰি-পৰি যতনেৰে মনৰ যোগান ধৰি
নকৰিলে শাঁত মোক
শৰীৰত নাথাকে তৰণি।

চেনেহত পমি যোৱা কতনো ধুনীয়া চকু
ৰই থাকে চউপাশে মোৰ ;
পাতলিলে অভিমান কাষ চাপি সকলোটি
খেলৰ লগৰী হই
পাহৰায় দিনৰ ভাগৰ।

মোৰ যে দুখত দুখী সুখত আনন্দময়
স্বাৰ্থহীন কৰুণা আধাৰ,
কতনো সৰল হিয়া অযাচিত চেনেহত
আবৰি ৰাখিলে নিতে
পাহৰাই কঠুৱা সংসাৰ।

এতিয়া উলটি গলে পামনে সকলো বাৰু,
এৰিলোঁ যি কৰি অনাদৰ ?
মৰীচিকা পাচে লৰি আকুল পিয়াহ দেখো
দুগুণে উথলি উঠে,
আশা মোৰ সুপূৰে প্ৰাণৰ।

মৰুৰ মাজত হায়!　　নেদেখোঁ শীতল পানী,
দেখোঁ মাথোঁ ৰূপালী ৰহন;
চিকিমিকি জিলিকনি　　দেখাত শুঁৱনী মাথো,
চাপি আহি কাষ তাৰ
পিয়াহত বিয়াকুল মন।

বেলিৰ পোহৰ পাই　　ওপৰৰ বালিকণা
তুচ্ছ কৰি তলৰ তৰপ,
বাহিৰে জিলিকে মাথোঁ　　বুজিছে অন্তৰে তাৰ
নীৰস মৰুত পৰি
সহে কেনে নিদাৰুণ তাপ!

ধুমুহা এছাটি আহি　　ওপৰৰ বালিবোৰ
উৰুৱাই পুতিলে তলত,
তলৰ তৰপ উঠি　　দুদিন জিলিকি পিছে
পাই সেই একেদশা
চাটি ফুটি কৰে পিয়াহত।

ইয়াকে বিচাৰি হায় ! নিজৰাৰ বালিকণা
আহিছিলোঁ ভৱ ভুপৰত !
এতিয়া উলটি গলে পামনে ভুনাই মই
এৰি অহা থান মোৰ
চেনেহৰ নিজৰা বুকুত ?

শেষ-উপহাৰ

বাৰিষা যেতিয়া তুমি ফেনে-ফোটোকাৰে
বই যাবা বৰ নই ডিবুৰু ঘাটত,
অকলশৰীয়া সেই সৰু ছোৱালীটি
চাই যাবা একোবাৰ তোমাৰ পাৰত।

শিলেৰে বন্ধোৱা এই নিজান ঘৰত
কোনে জানো এৰি গল আজলী পোনাক;
সকলো আছিল তাইৰ আজি কোনো নাই,
চেনেহ চকুৰে চাবা গতালোঁ তোমাক।

দেখা পাবা তুমি তাইৰ মিচিকি হাঁহিটি
স্বভাৱ-সুন্দৰ সেই ৰাঙলী ওঁঠত;
হৰিণী নয়ন দুটি ৰূপহী বালাৰ
গঁথা ৰব চিৰকাল তোমাৰ প্ৰাণত।

বৰনই! তাই মোৰ চেনেহী ভাগিনী ;
'মামা' বুলি মাতে যদি চাপিবা ওচৰ ;
মই হলে সুশুনিম,— সাধুকথা কই
পাতলাবা তুমি তাইৰ দিনৰ ভাগৰ।

বিজুলী চমকে যদি বাৰিষা মেঘত,
শুনে যদি লগে লগে মেঘৰ গৰ্জ্জন,
ভয় খাব অকলই থাকিবা কাষত,—
মুকলি পথাৰখনি তেনেই নিৰ্জ্জন।

আহে যদি কেতিয়াবা ধুমুহা বতাহ,
চাবা যাতে তাই যেন গমকে নাপায় ;
বতাহত হালি পৰা দেহলতা ডালি
নীৰলে মৰহি যাব নাপালে আশ্ৰয়।

অমানিশা আন্ধাৰত　　　　অকলে অকলে
　　থকা নাই কেতিয়াও নিজান থলত ;
বনৰ হৰিণী যদি　　　　আহে কাষ চাপি
　　সখা পাতি দিবা তুমি থাকিব লগত।

তাই হলে এনেদৰে　　　　অকলশৰীয়া
　　হোৱা নাই কেতিয়াও আই-ভাই এৰি,
সেইদিনা আঁতৰিলে　　　　নৰ সমাজৰ
　　হিংসা-দ্বেষ কুটিলতা সহিব নোৱাৰি।

হাঁহি-খেলি গীত গাই　　　　মুকলি মনেৰে
　　নিজে গঁথা মালাধাৰি নিজকে পিন্ধায় ;
বালিৰে চেতাৰ সাজি　　　　দিবাছো হাতত
　　এতিয়াও গীত গাব অমৰ বালাই।

কেতিয়াবা তুমি যদি সৰু ঘৰখনি
পাৰ ভাঙ্গি লই যোৱা প্ৰবল সোঁতত,
তাইকো লগতে নিবা নেৰিবা অকলে
জলদেবী হব তাই নীল সাগৰত।

সত্যপ্ৰিয়া, প্ৰিয়ম্বদা, কৰুণা ৰূপিণী
আছিল এদিন তাই এই পৃথিবীত ;
জলৰ কুৱঁৰী হই জল-পথিকক
এতিয়া তৰাব তাই অঠাই পানীত।

বৰনই ! তুমি মোৰ শেষ-উপহাৰ,
লই যোৱা চকুপানী ঢালিবা শিৰত ;
হয় যদি কেতিয়াবা সৰু এটি তৰা,
দেখা দিয়ে মোক যেন সন্ধিয়া পৰত।

নিয়তি

'আজি নিশা, সোণ, নালাগে ওলাব,
নালাগে জলাব বিজুলী বাতি ;
লখিমী বোৱাৰী নাযাবা লগত,
নালাগে ভেদিব পিশাচী ৰাতি।
নিজান নিতাল সান্ধ্য গগণ,
তেজেৰে ৰাঙলী ৰবিৰ কিৰণ ;
বিনামেঘে আজি চমকে বিজুলী
কাল-অজগৰে ধৰিছে ছাটি।'

'আজি নিশা সোণ, নিনিবা লগত
বংশ-প্রদীপ পোনাটি মোৰ,
চৌপাশে শুনো অমঙ্গল ধ্বনি
উঠিছে প্রাণত বিননি সুৰ।
তৰাই তৰাই কিনো কথা কয়,
জ্বলিছে পুৰিছে জননী-হৃদয়।
আজি নিশা, সোণ, নালাগে ওলাব,
নামানে বুজনি পৰাণে মোৰ

কোন মায়াবিনী মেঘৰ আঁৰত
মিচিকি হাঁহিৰে দেখালি পথ ?
'ক্ষমা কৰা, আই, নোৱাৰো থাকিব,
আপুনি চলিছে বিজুলী ৰথ।'
আকাশে বতাহে উঠে হাঁহাকাৰ,
চকুপানী বয় ৰূপহী তৰাৰ,
সজল নয়না অসম জননী,
নোৱাৰে কোনেও বোধিব পথ !

কি খেলা খিলিলি নিঠুৰ নিয়তি !
তোৰ কথা দেখো নহয় লৰ ;
তোৰ ইঙ্গিতত নাচে গ্ৰহ তৰা,—
তয়েনে আপোন সকলো পৰ ?
ভায়ে ভায়ে মিলি সাৰতা-সাৰতি,
কাষতে আছিলি কঠুৱা নিয়তি !
তোৰ লীলা-খেলা তয়েই বুজিলি,—
ভাইৰে অতিথি ভাইৰে ঘৰ।

তই তুলি দিলি ভাইৰে হাতত
বিজুলী ৰথৰ ভাগ্য চকা ;
ভাইকে কৰিলি নিমিত্তৰ ভাগী,—
তোৰেই মায়াতে সকলো ঢকা।
ভাই মোৰ সাৰথি নালাগে নামিব,
ভায়ে অনায়াসে দিচাং তৰাব ;
কুহকী নিয়তি মিচিকি হাঁহিৰে
ভাইৰে হাততে ঘূৰালি চকা।

মুখ মেলি আছ পাষাণ-জীয়ৰী,
নোৱাৰিলি তই উলটি ৰ'ব ?
কাক খাবলই জনম ধৰিলি ?
জগতত তোৰ খিয়াতি ৰ'ব !
ডুবিলে জোনাই নীল আকাশত,
সোণোৱালী তৰা লুকুৱা মেঘত,
দিচাঙ্গে গিলিলে সোণৰ পুতলা,
নোৱাৰা সহিব, নালাগে চাব।

ক'ৰে নাৱৰীয়া ! লখিমী বিচাৰি
সন্ধিয়া বেলিকা চাপিলি ঘাট ?
চকুৰ আগতে লখিমী ডুবিলে,
দেখিও নিদিলি আষাৰি মাত !
শুন নাৱৰীয়া ! চিৰঞ্জীবী হই,
ৰবি চিৰকাল পৃথিবীত তই,—
নিতউ সন্ধিয়া শুনিবি এবাৰ
মৃত্যুকাতৰ কিশোৰী মাত।

ধনকে চিনিলি, ধনতে মজিলি !
নালাগে মেলিব জুৰুলা হাত ;
তেজেৰে ৰাঙ্গলী দিচাং পানীৰে
খাই যা এসাজি সন্ধিয়া ভাত !
তেজকে দেখিবি, তেজকে ৰান্ধিবি,
তেজৰ পানীৰে পিয়াহ গুচাবি ;
যতদিন জীবি দেখিবি আগত
পোনাটিৰ সেই মুকুতা দাঁত !

শুন নাৱৰীয়া ! নিয়তি আদেশ,—
ধনেৰে ভৰাবি দুখনি নাও,
ধান হলে তই নাপাবি বিচাৰি,
ৰ'ব চিৰকাল লখিমী শাও।
পতান ধানেৰে ভঁৰাল ভৰাবি,
কাকনো খুৱাবি, কাকনো তুষিবি ?
পাবিনে সহায় দেৱতা-মানৱ,
যেতিয়া আহিব ধুমুহা বাও ?

মেঘে আৰি গ'ল বিজুলীৰ হাৰ,
গগণে পিন্ধালে মুকুতামালা ;
কোন সৰগত থিতাতে লুকাল
লক্ষ্মীৰূপিণী অসম-বালা !
আকাশী বতাহে কাণে কাণে কয়,
নোৱাৰোঁ বুজিব কিবাটো জনায় !
কোন নন্দনত পাতিলে আসন,
আদৰি নিলেহি ত্ৰিদিববালা !

শান্ত, সৌম্য, সুকোমল তনু,
তুমি বলোৰাম অথবা শিৱ,
কিম্বা পুণ্যশ্লোক নল অৱতাৰ,
প্ৰিয়ম্বদ তুমি সবাৰে প্ৰিয়।
আত্মপৰ ভেদ খিয়লা-খিয়লি,
নাছিল তোমাৰ ক্ষুদ্ৰ দলাদলি ;
ৰোগ, শোক, তাপে তাপিতা ধৰাত
চিৰকাল তুমি থাকিবা কিয় !

যোৱা তেনে ভাই ! যাচিছোঁ বিদায়
চকুৰ পানীৰে অঁাজলি ভৰি ;
যোৱা পতিপ্ৰাণা লখিমী বোৱাৰি
সীতা-সাবিত্ৰীৰ পূৰোৱা শাৰী।
যোৱা দেৱদুত জননী কোলাত,
হাঁহিবা যিদৰে হাঁহিলা ধৰাত ;
যোৱা পুণ্যপ্ৰভা অসম-কিশোৰী।
স্বৰগবালাৰ মূৰতি ধৰি।

 PLEASE HANDLE THE BOOK CAREFULLY.

গ্ৰহ-তৰা আৰু সুনীল আকাশ !
        শুনি যোৱা মোৰ আষাৰি কথা,
মালাধাৰি মোৰ নহল পূৰণ,
        বনফুল পাহি নহল গঁথা।
    'সৰু' এটি ফুল ফুলিলে বনত,
    মৰহি পৰিলে কাৰ চেনেহত ?
নীৰলে ফুলিলে, নীৰলে সৰিলে,
        কোনে বাৰু তাৰ বুজিব বেথা'

বিদায়-পৰত

(১)

এতিয়া হয় যদি যাবৰ সময়,
তুমি মোৰ বহিবা কাষত ;
মোৰ এই বীণখনি বজাবা এবাৰ,
কথাখিনি পৰিব মনত ।
চকু দুটি হব মোৰ ধুৰঁলি কুৰঁলি,
কাণ হলে থাকিব সজাগ,
কবলগা যিবা আছে কই যাবা তুমি,
মনলই নানিবা বিৰাগ ।
আমি দুয়ো ৰুই যোৱা, গছ-লতাখিনি
নিজহাতে কৰিবা যতন ;
কুসুমিতা হলে মোৰ বনলতা জুপি
মোৰ কথা কৰাবা স্মৰণ ।
ভগাপঁজা সমুখৰ 'হেচানাহেনাৰ'
সঁচ যদি পোৱা কৰবাত,
বিচাৰি গোটাই আনি নিজহাতে তুমি
ৰুই থ'বা মাজ চোতালত ।

তুমি ৰোৱা গোলাপৰ ডাল এটি আনি
জীয়াবাহি তাৰ কাষৰত ;
উলটি আহিলে মই অচিনাকী হই,
কিবা কথা পৰিব মনত।

(২)

তুমিও যেতিয়া যাবা সন্ধিয়া পৰত,
চাবা যাতে পথ নেহেৰায় ;
মোক হলে নিবিচাৰি তৰাৰ মাজত,
বিচাৰিবা ইয়াতে দুনাই।
অকলশৰীয়া যদি কোনোবা পথিকে
ভাবি-গুণি নিজৰা কাষত,
ঢউ লেখি বহি থাকে নাহাঁহিবা তাক,
কথা তাৰ বাজিব প্ৰাণত ।
কোনোবা প্ৰেমিকে যদি সজল আখিৰে
চাই থাকে মু'খনি তোমাৰ,
সাদৰী মাতেৰে তাক যাচিবা বিদায়,
অবাবত নিদিবা বেজাৰ।
তাৰ যদি চকুপাণী বাগৰে মাটিত,
তুমি তাত নিদিবা চৰণ ;
কিজানিবা পৰে আহি তোমাৰে শিৰত,
ঘূৰি ফুৰি গোটেই ভুবন।

কোনোবা সন্ন্যাসী যদি আবেলি পৰত,
বহি যায় বীণখনি বাই,
শুনিবাচোঁ কাণপাতি কিনো গীত গায়,
কাৰ বীণ কোনেনো বজায়।

(৩)

এতিয়া আহিলে মোৰ যাবৰ সময়,
অতিকই নহবা নিৰাশ ;
মুটুকিবা চকুপাণী মোৰ ওচৰত,
মন মোৰ লাগিব উদাস।
পৰিব মনত এই শ্যামলা ধৰণী,—
ৰূপ-ৰস সৌৰভ নিজৰা,—
শৈশৱৰ হঁহা-কন্দা, ধৰাকে সাবতি
ধূলা-খেলা, ধূলাতে বাগৰা।
সুশীতল সমীৰণ, জোন, বেলি, তৰা,
গছ-লতা পৰিব মনত ;
বসন্তৰ ফুল আৰু শৰতৰ ফল,
জিলিকিব মানস পটত !
সেইদিনা ধৰণীৰ প্ৰতি ধূলিকণা
মোৰ হব নিচেই আপোন ;
যি আছে সকলো দিম চাই লবলই
সকলোকে এবাৰ মাথোন।

এই স্বৰ্গ এৰি থই কোনোবা স্বৰ্গত
মন মোৰ নবহে নিশ্চয় ;
ধূলাতে মিলিব এই ধূলাৰ শৰীৰ ;
উলটিম নবদেহা লই।

PLEASE HANDLE THE BOOK CAREFULLY.

সামৰণী গীত

অকাশে বতাহে
কি গীত শুনালোঁ
কোনে জানো তাক গাবলই !
নুফুটে সুৰত
অসীমৰ কথা,
নিজানত ভাবি চাবলই

সন্ধানী পাব
প্ৰকৃতি বুকুত
গুপুত বিশ্ব বাতৰি ;
গোপন গুহাৰ
নিহিত ৰহস্য,
নাপাব গীতত বিচাৰি ।

সাগৰতে লীন,
সাগৰৰ ঢৌ,
সাগৰে ৰাখিছে সামৰি ;
হিয়া ভেদি মোৰ
উঠিছে যি সুৰ,
হিয়াতে মৰিছে গুমৰি

DISTRICT LIBRARY
HEM BARUA COLLECTION)
TEZPUR.

আকাশত থলোঁ
অসহনি ভাৰ,
যক যেনি তেনি বাগৰি ;
হয় যদি হক
শূন্যতেই লীন,
যায় যদি যাব পাহৰি।

ৰংমনৰ বহাগী সুৰ

চতে গই গই বহাগে পালেহি
ফুলিলে ভেবেলী লতা,
কৈয়ে থাকোমানে ওৰকে নপৰে
মোৰে প্ৰাণ-বান্ধৈয়াৰ কথা।

লোহোৰা-লোহোৰি তোৰে হাতে ভৰি,
মুখত মিচিকীয়া হাঁহি;
চকুত জিলিকিলে প্ৰেমৰে জেউতি,
গালতে গোলাপৰ পাহি।

ওঁঠত জিলিকিলে ৰাঙ্গলী বৰণ ঐ
কপালত সেন্দুৰৰ ফোট;
বুকুত জিলিকিলে জুৰিয়া জীৱন ঐ,
এখামোচ কঁকালৰ গোট।

খোপাত আঁৰি গলি কপৌফুল এপাহি
বুকুত আঁৰি গলি ৰিহা ;
গলত আঁৰি গলি মালতী এধাৰি,
খোজত হালে জালে দেহা।

ওখকৈ বান্ধিলি দীঘল চুলিটাৰি,
খোজত মাৰি গলি বন ;
মুখলৈ চাওঁতে মিচিকাই হাঁহিলি,
বলিয়া কৰিলি মন।

হাততো জেতুকা ভৰিতো জেতুকা,
ৰূপত সৰগৰে তৰা ;
মাৰে-বাপেৰে বিচাৰি নাপালে
তোৰে জোৰাপতা দৰা।

কঁকাল ভাঙ্গি ভাঙ্গি নাচিব ধৰিলি
আমাৰে মুখলৈ চাই ;
চেঙ্গৰা কালতে ৰবকে নোৱাৰি
শহুৰত লগালোঁ দায়।

নগাৰ চাঙে চাঙে মদৰে টেকেলি,
মিৰিৰ চাঙে চাঙে গুৰ ;
গুৰুৰে ভকতে কিনো দায় লগালোঁ,
ধৰিছে ছোৱালী চোৰ।

ছকুৰি ৰূপৰে শৰাইখন সোধালোঁ,
তামোল-পান সোধালোঁ বটাত ;
গুৰু ভকতৰো জগৰ মাৰি গলোঁ
শহুৰৰ জীয়েকৰ কথাত।

আগফাল শুৱনি কাকিনী তামোল ঐ,
পাচফাল শুৱনি পান ;
বৰঘৰ শুৱনি গাভৰু ছোৱালী,
সতকাই পাবলৈ টান।

পুৱাতে উঠিলি চোতাল ঘৰ সাৰিলি,
সাৰিলি পদুলি মুখ ;
লাহৰী হাতেৰে সূতা কাটি গলি,
গুচালি দুখীয়াৰ দুখ।

ভাতো ৰান্ধিলি, পানীও আনিলি,
ৰুলিগৈ পথাৰত ধান ;
আলহি-অতিথি সুধি-পুচি গলি,
ৰাখিলি দুখীয়াৰ মান।

ধানে দাই গলি লিচিৰি পিচিৰি
হাতত হেঙুলীয়া কাঁচি ;
দুহাতে দুমুঠি দুখীয়াক যাচিলি,
আগলৈ ৰাখিলি সাঁচি।

বুকু দাঙ্গি দাঙ্গি মাকো মাৰি গলি,
পিন্ধালি কুৰুটৰ চোলা ;
বাটে বুলি গলি অসমৰ জীয়ৰী,
নালাগে কেকোঁৰা-দোলা।

চাই চাই বুলিবি বাটে ঐ লাহৰী
মানুহ চাই লগাবি মাত ;
যৌৱনৰ ভিতৰত আছে খালে বামে,
পিচলি পৰিবি তাত।

ৰংমনৰ বহাগী সুৰ।

চৰাই হালধীয়া পাখী বিনন্দীয়া,
উৰিলে পাবলৈ নাই ;
জীয়াই থাকমানে পীৰিতি কৰিবি
মৰিলে পাবলৈ নাই।

—০—

ৰংমনৰ বিহু

(প্ৰথম)

বিহু বিহু কৰিলে বিহুতী চৰায়ে,
আমাৰ বিহু কাপোৰ নাই ;
লগৰ সমনীয়াই সুধিলে কি কম ঐ !
তাঁতৰ পাটত শিপিনী নাই ।

দিহিঙ্গে দিপাঙ্গে গ'ল ডেকা লৰা,
লুইতে এৰিলে সুতি ;
ঘৰতে থাকিবা জীয়ৰী ছোৱালী,
নাযাবা লগতে উটি ।

ফাগুনত ফুলিলে ৰূপহী মদাৰ ঐ,
কপৌফুল ফুলিলে চতত ;
আমাৰ বৰে ঘৰত লখিমী সোমালে,
মাকোটি ললেহি হাতত ।

আহঁা খৰে কৰি শহুৰৰ
মাকো মাৰা তাঁতলৈ চাই ;
দুখীয়াৰ পুতলাক দিয়া বিহু কাপোৰ,
বিহু গলে পাবলৈ নাই।

গুৰুলৈ এখনি ভকতৰ এখনি,
আমালৈ গামোচা ব’বা ;
আজি বিহু নিশা হুচৰি আহিব,
নাচনীক এখনি দিবা।

অতি চেনেহৰে মুগাৰে মহুৰা,
অতি চেনেহৰে মাকো ;
অতি চেনেহৰে ৰিহাখন নেৰিবা,
চাদৰে নাঢাকে বুকু।

ঢোলৰ মাতে শুনি ওলালে নাচনী
কপৌফুল ফুলিলে খোপাত ;
মাৰাৰ ঘৰলৈ ওলালা জীয়ৰী
আমাক নলগালাঁ মাত।

কোনে কুটি দিব হালধি বেঙ্গেনা,
গৰু ধুৱাবলৈ যাওঁ ;
কোনে সজাই দিব বিহুৰ চিৰা পিঠা,
কণী যুঁজ চাবলৈ যাওঁ ।

অতি চেনেহৰে . বহাগৰ বিহুটি,
হাততে মলঙ্গি যায় ;
আমি ডেকা ল'ৰা বিহু চাই আহোঁগৈ,
তাতো নধৰিবা দায় ।

বিহুৰে বিৰিঙা পাতে ঐ মইনা !
বিহুৰে বিৰিঙা পাত ;
বিহু থাকে মানে বিহুকে বিনাম ঐ
বিহু গলে বিনামনো কাক !

—০—

(দ্বিতীয়)

তুমি লৰে মাৰা　　　পানীয়ে পানীয়ে
　　ময়ো লৰে মাৰোঁ বামে ;
দুচকুৰ পানীৰে　　　ৰিহাখন তিতিলে,
　　মেখেলা তিতিলে ঘামে।

লুইতে লুইতে　　　ভটিয়াই আছিলোঁ,
　　লুইতৰ লগৰী পাই ;
লুইতৰেপৰা　　　উজাই মই আহিলোঁ,
　　তোমাৰে বাতৰি পাই।

আহক আহক বুলি　　　বাটে চাই আছিলোঁ
　　ৰিহুৰে গামোচা কাটি ;
গাঁঠিৰ কটা তামোল　　　গাঁঠিতে শুকালে,
　　ক'তেনো খপিলা ৰাতি ?

ভটিয়াই আছিলোঁ কোনোবা ধুবুৰিত,
হাজাৰচিং বঙ্গালৰ ৰণত ;
হাতৰ বৰেহিলৈ চলালে নচলে,
তোমালৈ পৰিলে মনত ।

হিলৈ নুফুটিলে বঙ্গালৰ ৰণতে,
টিঙ্গিৰি নাহিলে লগত ;
বিহু নপকিলে বৰ নৈৰ সিপাৰে,
নাচনী নাহিলে লগত ।

লুইতৰ পানীতে নাও মেলি দিলা,
আমালৈ পৰেনে মনত ;
কোনে কাটি দিয়া তামোলখন চোবালা,
ভটীয়া বঙ্গালৰ ৰণত ?

ভিৰত ভিৰে খালে কোবত চিগি গ'ল ঐ,
কাৰেফাই ধেনুৰে জোৰ ;
কোনে কাটি দিব থুৰিয়া তামোল ঐ,
লগৰী নাহিলে মোৰ ।

পূবে মুখে কৰি পছিমে ওলালোঁ
উত্তৰে-দক্ষিণে চাই,
ইজনী সিজনী দেখোঁ দহে জনী
তোমাৰ মান ধুনীয়া নাই।

পূবত জিলিকিছে পূবৰে তৰাটি
যাউতিযুগীয়া হই;
পশ্চিমৰ বেলিটি থিতাতে লুকাব
তালৈ নাচাবা ৰই।

পচোৱা বতাহে ধুমুহা আনিব,
সাগৰে পেলাব বালি;
বাজত জিলিকিব জাঁওবন এশাৰী,
ভিতৰত কঠুৱা বালি।

(শেষ)

টোকা

স্বপ্ন-ভঙ্গ—এটি বিদেশী কবিতাৰ ভাবানুসৰণ।

বিষাণদৈ আলি—বৰপেটাৰ এই আলিৰ কাষতে "লেহি-দঙ্গৰা ডাকৰ গাওঁ। প্ৰবাদ আছে যে অতীত কালত লেহিৰ তিৰীয়ে পঞ্চবাগ টানি বৰযুণ দিয়াব পাৰিছিল।

পাষাণ-প্ৰতিমা—বৰপেটাৰ অন্তৰ্গত বগৰিবাৰী মৌজাৰ পশ্চিম সীমাত বুৰঞ্জী বিখ্যাত হাদিৰাচকিৰ ওচৰত ফুলৰা আৰু চতলা নামেৰে অকলশৰীয়া সৰু পাহাৰ দুটি শাপভ্ৰষ্টা দেৱকন্যা যেন অসমৰ স্বাধীনতা লোপৰ সাক্ষী স্বৰূপে বিৰাজ কৰিছে।

শেষ-উপহাৰ—চিৰ চেনেহৰ ভাগিনী স্বৰ্গীয়া ৰাজবালা পদ্মপতিৰ উদ্দেশে ৰচনা। ডিব্ৰুগড়ৰ ৰাই বাহাদুৰ শ্ৰীযুত নীলাম্বৰ দত্ত, এম, এল, চি ডাঙ্গৰীয়াৰ দ্বিতীয়া কন্যা; এই ছোৱালীটিয়ে ১৯৩১ চনত মেট্ৰিকুলেচন পৰীক্ষা পাচ কৰিছিল। ১৯৩৩ চনত তেজপুৰৰ শ্ৰীযুত কামাক্ষাকুমাৰ পদ্মপতি এম, এ, দেৱলৈ বিয়া দিয়াৰ ছমাহৰ পিছতে মৃত্যু হয়। ছোৱালীটিৰ স্বভাবৰ বিষয়ে কবিতাত বৰ্ণোৱা কথা অলপো অতিৰঞ্জিত নহয়।

নিয়তি—সপুত্ৰ-পৰিবাৰ জনপ্ৰিয় স্বৰ্গীয় ভগবতীপ্ৰসাদ বৰুৱা আৰু তেওঁৰ ভনীয়েক আদিৰ শোচনীয় ঘটনাৰ কৰুণ কাহিনী।

"লিথক"

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শুদ্ধৰণী

পৃঃ	শাৰী	অশুদ্ধ	শুদ্ধ
১৭	৪	মাৰ	মোৰ
৩১	১১	হবা	নহবা
৮৩	৩	ৰকমজমক	ৰমকজমক
৮৭	৫	ঢেউ	ঢৌ
৯৮	১	তোৰণো	তোৰ নো
৯৮	৪	কাৰণো	কাৰ নো
৯৮	৬	কাৰণো	কাৰ নো
৯৯	১৪	পধুলি	পদূলি
১০৫	১৮	ফুৰলা	ফুলৰা

PLEASE HANDLE THE BOOK CAREFULLY